# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Bāõhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

অষ্টম বর্ষ দশম সংখ্যা


| বিষয় | পৃষ্ঠা |
| --- | --- |
| মহাপুরুষ শ্রী শঙ্কর দেব | ৪৩৩ |
| মহাপুরুষ শ্রী মাধবদেব | ৪৩৪ |
| সম্পাদকের চরা | ৪৩৪ |
| শ্রী কৃষ্ণ কথা | ৪৪২ |
| প্রশ্নোত্তর | ৪৪৮ |
| প্রকৃত পুরুষ কে? | ৪৫৪ |
| মুসলীম সম্পাদকের আবদার | ৪৫৫ |
| নববর্ষের চিঠি | ৪৫৮ |
| আমাদের প্রকাশ | ৪৭১ |
| কিতাবের কথা | ৪৭৫ |

# মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ।

জনৰ কল্যান হেতু হে দেৱ শঙ্কৰ !
বোৱালা ধৰ্ম্মৰ সুতি জুৰি আসামত,
সহিলা লাঞ্ছনা বহু — মূৰ্খ মানুহৰ,
ৰাখিলা ধৰ্ম্মৰ মান ন্যায় বিচাৰত।
উৰুৱালা তাৰ্কিকৰ ভ্ৰান্তি-কলা মেঘ
যুক্তি-বতাহেৰে তুমি ধাৰ্ম্মিক ধীমান্,
অধৰ্ম্মৰ সোত যত আছিল দেশত
ধৰ্ম্মৰ তেজেৰে তাক কৰিলা নিৰ্ব্বান।
অজ্ঞান এন্ধাৰ নাশি তুমিয়ে প্ৰথমে
জ্ঞানৰ জেউতি আনি দিলা আসামত,
জ্ঞানৰ ধৰুৱা কৰি অসমীয়া মানে,
অমৰ কীৰিতি তুমি কলা জগতত।
মথি বহু ধৰ্ম্মশাস্ত্ৰ, উদ্ধাৰিলা তুমি
প্ৰেম-অমৃতৰ বিন্দু দুৰ্ল্লভ লোকত,
বোৱালা প্ৰেমৰ সোত, ধনী নিৰ্ধনীয়ে
জঁাপ দিলে আনন্দেৰে হৈ উনমত।
বইছে আজিও সেই অমৰণ সোত
সুমধুৰ সুপবিত্ৰ কৰি আসামক ;
আঁহা অসমীয়া হেঁৰা প্ৰাণে প্ৰাণে মিলি
প্ৰণমো বঙেৰে সেই দেৱ শঙ্কৰক।

শ্ৰীত্ৰৈলোক্যশোভনচন্দ্ৰ গোস্বামী।

## মহাপুৰুষ শ্ৰীমাধৱদেৱ।

—o—

বেদ-বেদান্তাদিৰপৰা বস্তুবাজি বাছি,
শঙ্কৰৰ প্ৰিয় শিষ্য, ধাৰ্ম্মিকপ্ৰবৰ!
দাৰ্শনিক-তথ্যপূৰ্ণ 'নামঘোষা' ৰচি
মহাপুৰুষীয়া ধৰ্ম্ম কৰিলা প্ৰচাৰ।
নিষ্কাম-ভক্তিৰ সোঁত বোৱালা প্ৰাণত,
ধৰ্ম্মৰ অমিয়া পান কৰিলে অসমে;
'মুক্তিত নিস্পৃহ' জ্ঞান—ভকতিকে মহান্!—
সুমুৱালে হৃদয়তো তযু দীক্ষা নামে।
আৰু কত ধৰ্ম্মগ্ৰন্থ কৰি প্ৰণয়ন
অসমীয়া সাহিত্যক গলা দি সম্ভাৰ;
ৰব নাম, ধৰ্ম্ম বীৰ, হে মহাপুৰুষ!
ৰব তযু কীৰ্ত্তি জুৰি যুগ-যুগান্তৰ।
আজি তযু পুণ্য তিথি, অতি শুভ দিন;
স্মৃতি-পূজা কৰোঁ মই সম্বল-বিহীন।

শ্ৰীমহানন্দ বৰুৱা।

---

## সম্পাদকৰ চৰা।

—o—

শিক্ষা। শিক্ষা আমাক লাগে, আৰু লাগে, বৰ সৰহকৈ লাগে; গৱৰ্ণমেণ্টে অলপ-অচৰপ দিছেও, লাহে লাহে সৰহকৈ দি যাবলৈ দিহাও কৰি যাব লাগিছে। কিন্তু আমাৰ ভাবি চাবৰ হৈছে যে অকল এই বিধৰ শিক্ষাই আমাৰ কাম চলা হৈছে নে নাই? ভাবি চালে দেখি, যে এই বিধৰ শিক্ষাই, অৰ্থাৎ আজিকালি ভাৰতত স্থাপিত হোৱা University Education বিশ্ববিদ্যালয়ে দিয়া কৰা শিক্ষাই আমাক ভালকৈ মানুহ কৰি তোলা নাই।



এই শিক্ষাই আমাক সম্পূৰ্ণৰূপে গৱৰ্ণমেণ্টৰ ওপৰত ভৰ দিহে থিয় হব পৰা কৰিছে; অথবা আইন, ইঞ্জিনিয়ৰি, ঔষধ আদিৰ ব্যৱসায়, শিক্ষক, অফিচ—কেচাৰিৰ কাম, ইত্যাদি চৰ্কাৰী আৰু আদ-চৰ্কাৰী কামৰ যোগ্য কৰিছে মাথোন। এইবোৰ কামত সফলতা সকলোৰে ভাগ্যত নঘটে, আৰু ঘটাটো অসম্ভৱও। সকৰেপৰা অকল এইবোৰ শিক্ষাতে লাগি কাল কটোৱা সৰহ ভাগ নিষ্ফল মানুহৰ জীৱন যি হয় আমাৰো সেয়ে হৈছে।

* * *

আমাৰ দেশৰ এজন শিক্ষিত লোকে যদি বিদেশত জীৱিকা উপাৰ্জ্জন কৰি খাব লগীয়াত পৰে, তেতিয়া এই বিধৰ শিক্ষাৰ hollowness অৰ্থাৎ এই শিক্ষা যে ফোপোলা সেইটো ভালকৈ ওলাই পৰে। আমাৰ বিশ্ববিদ্যালয়ত শিক্ষিত মানুহে বিদেশত আচুৰি-পিচুৰি খাব লগীয়া হলেই তেওঁ এটি শিশুৰ নিচিনা নিৰুপায় হৈ পৰে। ইংৰাজী ভাষাভাষী বা ইংৰাজী বুজা মানুহৰ দেশত তেওঁ আষাৰচেৰেক কথাৰে নিজৰ মনৰ ভাব প্ৰকাশ কৰিব পাৰিব মাথোন, কিন্তু সেই বিদেশীসকলৰ কোনো কামত লাগি অৰ্থাৎ কোনো কামৰ সহায়ক হৈ, নিজৰ জীৱিকা উপাৰ্জ্জন কৰিব নোৱাৰে। বিশ্ববিদ্যালয়ত শিক্ষিত ডেকাৰ সৰহ ভাগে নিজলৈ ভালকৈ এমুঠি ৰান্ধিব নাজানে, নিজৰ চুৰিয়া বা চোলা ফাটিগলে একোৰ মাৰি সি লব নাজানে, নিজৰ বা আনৰ হঠাৎ খুন্দা খাই বা পৰি হাড়ভৰি ভাগিলে বা আন কোনো প্ৰকাৰে "জখম" হলে,ডাক্তৰ নহালৈকে, লৰালৰিকৈ তাৰ তেজ ৰাখিবলৈ বা তাত "পটি" বন্ধা (dressing) বা আন কোনো তেনে ব্যৱস্থা কৰাত (যাক ইংৰাজীত first aid বোলে) তেওঁ অপাৰগ। তেওঁলোকৰ সৰহভাগে পানীত পৰিলে সাতুৰি আত্মৰক্ষা কৰিব নাজানে, কোনবাই কিলাবলৈ খেদি অহিলৈ art of self-defene আপোনাক ৰক্ষা কৰিবৰ উপায় সমূলি নেজানে, আন কি তেওঁলোকৰ বহুতে ,বেজীটোৰ বিন্ধাত বটিয়াভাল সুমাবকে নাজানে বুলি কলেও বৰ বঢ়াই কোৱা নহয়। ইয়াৰ বাবে আমি অকল তেওঁলোকৰ গাতে দায় দিব পাৰোঁ নে? নোৱাৰোঁ। কাৰণ তেওঁলোকক সৰুৰেপৰা এইবোৰ লাগতিয়াল শিক্ষা যে দিব লাগে, সেই বিষয়ে কোনেও ভবাও নাই, শিকোৱাও নাই। তেওঁলোকে সৰুৰেপৰা বি-এ-লৈ মুখস্থ কৰিছেনে নাই,

"আয়ৰ্লণ্ডৰ অন্তঃপাতী ডণ্ডী নগৰত ডুবাল নামে" এটা সুবোধ বালকে তাৰ "স্পেলিংবুকৰ লেচন" মুখস্থ কৰিছিল নে নাই, "উলিয়েম-অৱ-অৰেঞ্জ" বিলাতলৈ কোন শকত আহিছিল আৰু তেওঁৰ লগত কোন কোন লগৰীয়া আছিল, ইত্যাদি বিস্তাত সকবেপৰা পৈণত হৈ, স্কুলত "ফাৰ্ষ্ট প্ৰাইজ" পালে নে নাই, তালৈ হে আমাৰ লক্ষ্য। বাপেক মাকেও সৰুবেপৰা "মোৰ বোপায়ে ভালকৈ পঢ়ক" বুলি তাক আন একোকে কৰিব নিদি, বা নিশিকাই, বা সেইবোৰ কৰিবলৈ encourage নকৰি, উছাহ নিদি, "পঢ়াই পঢ়ে, বোৱাই বোৱে পাণ, এই তিনি-চাৰি নিচিন্তে আন" বুলি তাক স্কুলৰ পঢ়াত একাগপতীয়াকৈ লগায়। লাভত, সি ইংলণ্ডৰ বুৰঞ্জী আৰু ৰোম গ্ৰীচৰ বুৰঞ্জীৰ পৰীক্ষাত প্ৰথম হৈ, হেকুলা, চিচিলৰ আগ্নেয়গিৰিৰ লক্ষণযুক্ত ফিজিকেল জিয়গ্ৰাফিত, আৰু কামস্কট্‌কাৰ ভূগোলত শ্ৰেষ্ঠস্থান অধিকাৰ কৰি প্ৰথম প্ৰাইজ লৈ হাঁহি হাঁহি মাক-বাপেকৰ হাতত দি তেওঁলোকৰ আনন্দবৰ্দ্ধন কৰে। ফলত কিন্তু আমাৰ লৰা আজিকালিৰ উপযোগী প্ৰকৃত শিক্ষাত খোদৰ-পচলা হৈয়েই ৰল।

***

শিক্ষাৰ ফল accomplishment অৰ্থাৎ সকলো ৰকমে কৃতিত্ব, নৈপুণ্যও এটা। কিন্তু average অৰ্থাৎ মোট-মাট ৰকমে শিক্ষিত ডেকাৰ সৰহ ভাগৰ তেনে হয় নে? আমাৰ গ্ৰেজুয়েট, অণ্ডৰ গ্ৰেজুৱেত, দুজন-চাৰিজনৰ বাহিৰে আনবোৰ, গান-বাজনা আৰু ছবি-আঁকা ইত্যাদি বিস্তাত দেখোন এলাবাহ। তেওঁলোকৰ গানলৈ কাণ আৰু ছবিলৈ চকু নগজে। এখন সমাজত বা এটা পাটিত গোটখালে অসমীয়া শিক্ষিত ডেকাই এটা গানকে গাই সামাজিক লোকসকলক আনন্দ দিব নোৱাৰে; বেহেলা, চেতাৰ, এচৰাজ, পিয়েনো, হাৰ্মনিয়ম আদি কোনো বাদ্যযন্ত্ৰকে বজাব নাজানে; কোনো এটা কবিতা recitation অৰ্থাৎ সুৰ ধৰি আবৃত্তি কৰিব নোৱাৰে; এটা "খোস্‌গল্প" অৰ্থাৎ ধেমেলীয়া সাধুকে কৈ ৰং দিব নোৱাৰে। তেওঁক কোনো concert বা সঙ্গীত সমাজলৈ লৈ যোৱা, বা কোনো art-gallery চিত্ৰ সজাই থোৱা ঘৰলৈ লৈ যোৱা, তেওঁ তাৰপৰা আমোদ, শিক্ষা, জ্ঞান, ইত্যাদি সংগ্ৰহ কৰিব পৰাটো তো দূৰৰ কথা, তাৰপৰা হামিয়াই-হেকটিয়াই পলাই গুচি আহিব পাৰিলেই



বৰ্ত্তে। তেওঁক গান গাবলৈ কলে তেওঁ কেনেবাকৈ এটা-এডোখৰ জানিলেও এপাচি আপত্তি কৰি পিছহুঁহকি পৰে। আন কি, অনেকে অকলৈ নিজে গুহৰিয়াই বা গুণগুণাই গানৰ সুৰ এটা টনাতো অপাৰগ; তেওঁ লোকৰ এটা ভাল joke enjoy ঠাট্টা উপভোগ কৰিব নোৱাৰে, নিজেও কৰিব নোৱাৰে; তেওঁ টেনিচনৰপৰা বা ওৱৰ্ড্‌চৱৰ্থ চেলিৰপৰা দুইচাৰিশাৰী গাই শুনাব পাৰিলেও, অসমীয়া সুবিখ্যাত কবিসকলৰ ৰচনাৰপৰা এশাৰী মনৰপৰা সুৰ ধৰি গাব নোৱাৰে। তেওঁ পাৰে হা-হুমুনিয়াহ কাঢ়িব, আৰু আসামৰ বা ভাৰতৰ গত গৌৰৱৰ বিষয়ে দুটা-চাইটা কথা কব;—কিন্তু প্ৰকৃত কিহত নো ভূত কালৰ ভাৰতীয়সকলৰ গৌৰৱ, তাকো ভালকৈ clearly কব নোৱাৰে। তেওঁ আৰু এটা পাৰে;—সেইটো লোকক, বাইকৈ চুকি নোপোৱা লোকক "সমালোচনা" কৰি খণ্ড-বিখণ্ড কৰিব। তেওঁ সৰু লৰা ছোৱালীৰ সমাজত মিলি সিইঁতেৰে সৈতে সমভাৱে কথা কব নোৱৰা ভীমকলৰ মধুনা; সমনীয়া ডেকাৰে সৈতে মিলি দুই-চাইটা হাঁহি ধেমালিৰ কথা পাতিব পাৰিলেও, বয়সীয়ালসকলৰ আগত আৰু সমাজত থোৱা-দ বা "শ্ৰী—শ"ৰ শ্ৰীহীন শ। তেওঁ ডেন্‌মাৰ্কৰ বা ডেমাস্কচৰ folklore সাধু আৰু mythology পুৰাণ শাস্ত্ৰৰ এটা এডোখৰ জানিলেও নিজৰ দেশৰ সাধু (Folklore) নাজানে, নিজৰ দেশৰ পুৰাণৰ একো ভু নাপায়। নিজৰ দেশৰ এইবোৰত তেওঁ "সময় নষ্ট" কৰি "আহাম্মকি" কেতিয়াও কৰা নাই! তেওঁ কেতিয়াবা আমাৰ দেশৰ সাধু (folklore) আৰু mythology (পুৰাণ) ইত্যাদি বিষয়ত প্ৰাজ কোনো বিদেশী শিক্ষিত লোক লগ পালে, নিজৰ অজ্ঞতাৰ গভীৰত্ব বুজি লাজত তল-মূৰ কৰিব লগীয়াত পৰে। তেওঁ নিজে কেনেবাকৈ hero-worship কৰোতা Idolator প্ৰতিমাপূজক হয় বুলি, নিজৰ দেশৰ পুৰণিকলীয়া মহাপুৰুষসকলকো সুবিধা পালে তুচ্ছ-তাচ্ছিল্য কৰিবলৈ নেৰে।

* * *

ইয়াৰ বাবে আমি অকল আমাৰ শিক্ষিতসকলকে দায় দিলে, নচলিব, কাৰণ তেওঁলোক defective system of education-ৰ ফল হে মাথোন। বৰ্ত্তমান প্ৰচলিত শিক্ষা প্ৰণালীয়ে যেনে বৈছে তেনে শইচ দাবলৈ

পাইছে। আমাৰ শিক্ষিতসকলে য়ুৰোপীয় শিক্ষিতসকলেয়ে সৈতে য়ুৰোপ আৰু আমেৰিকাত যিমান mix কৰি মিলি কথা-বাৰ্ত্তা কৈ চলিবলৈ পাব, সিমান তেওঁলোকে নিজৰ শিক্ষাৰ হীনাবস্থা বুজিব পাৰিব। তেতিয়া তেওঁলোক লাগতিয়াল প্ৰত্যেক বিষয়তে,প্ৰত্যেক কথাতে,য়ুৰোপৰ বিশ্ববিদ্যালত শিক্ষিত-সকলতকৈ যে কিমান কম শিক্ষিত তেওঁলোকৰ সেইটো হৃদয়ঙ্গম হব।

***

হিন্দু চিৰকাল meek and mild। আগৰ হিন্দুযুগত অৱশ্যে সেইটো স্বভাৱ খাপ খাইছিল ; কিন্তু এতিয়া এই কুৰি শতিকত সকলো দেশৰ লোকেৰেসৈতে আদান প্ৰদানত মিহমিহীয়া স্বভাৱৰ মানুহ খাপ খাই কেনেকৈ ? এতিয়া নিজক boldly assert অৰ্থাৎ আত্মপ্ৰতিষ্ঠা কৰিবৰ অৰ্থে মিহ্‌মিহীয়া cringy স্বভাৱ এৰিবৰ দিন ; তেনে মিহ্‌মিহীয়াক ভাৰতৰ বাহিৰৰ লোকসকলে সন্মান কৰিব নোৱাৰে ; কাৰণ তেওঁলোক সাহিয়াল, আৰু আত্মপ্ৰতিষ্ঠা কৰোতা মানুহ। নিমাতী মিহ্‌মিহীয়াক হিন্দু ideal আদৰ্শত বিনয়ী বুলিলেও আজিকালিৰ মনুষ্যত্বপূৰ্ণ জাতিয়ে ভীৰু মূৰ্খ বুলি অনেক সময়ত ভাবিবই। অৱশ্যে আত্মপ্ৰতিষ্ঠা মানে inpudent দাম্ভিক, আৰু vain বৃথাগৰ্ব্বী নহয়। নিজৰ মনুষ্যত্বক সন্মান কৰি, শ্ৰেষ্ঠসকলৰ obedient বাধ্য হৈ discipline-অৰ শাসনৰ জৰীৰে নিজক বান্ধি চলিও মনুষ্যত্বক পূৰ্ণৰূপে বিকাশিত কৰিব পাৰি। মিহমিহীয়া নহৈ সাহিয়াল হোৱা মানে গুৰু-গৌৰৱ নমনা, বজাক নমনা, বজাৰ আইন নমনা, নীতিৰ শাসন নমনাটো নহয়। শিক্ষিতসকলে সমাজৰ, আইনৰ, নীতি নিয়মৰ, ভদ্ৰতাৰ, পাপ-পুণ্যৰ বান্ধোনৰ ভিতৰতে সম্পূৰ্ণৰূপে নিজক ৰাখি আত্মসন্মান ৰক্ষা কৰি, ঈশ্বৰদত্ত মনুষ্যত্বক পৰিস্ফুট কৰি, আন দেশৰ শিক্ষিত-সকলেৰে সৈতে, অকল নুহেৰেই নহয়, কাৰ্য্যতো সমান আসন অধিকাৰ কৰিবৰ যোগ্য হব পাৰে- আৰু হওক, এয়েহে আমাৰ বক্তব্য। তাকে নকৰিলে, নিজক অপমান, যি দেশে আমাক জন্ম দিছে সেই দেশক অপমান কৰা হয়। "নায়ানমৱমন্যেত" নিজক অৱজ্ঞা নকৰিবা, এইটো বেদৰ বচন।

***

আমি এনেকুৱা বহুত ঘটনা জানো, ভাৰতীয় বিশ্ববিদ্যালয়ৰ গ্ৰেজুৱেটে



আমেৰিকাত ধনৰ দুখত পৰি ( ঘৰৰপৰা ধন পঠিয়া বন্ধ হোৱাৰ নিমিত্তে ) আন একো কাম কৰিবলৈ পাব নোৱাৰি, তাৰ গৃহস্থৰ ঘৰত ছুৱা ধোৱা, ঘৰ সৰা ইত্যাদি কাম স্বীকাৰ কৰি পেট পুহিব লগীয়াত পৰিছিল, আৰু সেইবোৰ কামও, কোনো কালে তেনেকামত তেওঁলোক অভ্যস্ত নোহোৱাৰ বাবে, ভালকৈ কৰিব নোৱাৰি খেদা খাইছিল। আমেৰিকাত, পঞ্জাবৰপৰা অনেক অশিক্ষিত তলশ্ৰেণীৰ মানুহ গৈ কুলিৰ কাম, মিস্ত্ৰিৰ কাম, ঠিকাদাৰৰ কাম কৰি ধন ঘটি ধনী হৈছে ; দুখত পৰা আমাৰ গ্ৰেজুৱেটে নিৰুপায় হৈ অনেক সময়ত সেইবোৰ মানুহৰ তলত "মজুৰৰ" কাম কৰিব লগীয়াত পৰে, অথচ ভালকৈ কৰিবও নাজানে আৰু নোৱাৰেও। বিদেশত, আমাৰ বিশ্ববিদ্যালয়ৰ শিক্ষিত ডেকাৰ এনে দুৰৱস্থা হয়!

***

জাপানত বিশ্ববিদ্যালয়ে জাপানী ডেকাক যি প্ৰণালীত শিক্ষা দিয়ে, বিজাই চালে, আমাৰ বিশ্ববিদ্যালয়ে দিয়া শিক্ষা তাতকৈ ৫০বছৰৰ পিছ পৰা যেন লাগে ;—যদিও জাপানী শিক্ষাক অনেকে য়ুৰোপীয় শিক্ষাৰ ২৫ বছৰৰ পিছ পৰা বোলে। জাপানৰ শিক্ষাই শিকাৰুৰ মন আৰু দেহ দুইলৈকো বিশেষ চকু ৰাখে। তেওঁলোকৈ শৰীৰৰ উন্নতিৰ পক্ষে দিয়া শিক্ষা সৰ্ব্বাঙ্গসুন্দৰ। ডেকা জাপানীয়ে আত্মৰক্ষা কৰাৰ কৌশল তেওঁলোকৰ বিদ্যালয়ত শিকে। তাত তেওঁলোক গুলি মৰা, মালপ্ৰম কৰা, "বক্সিং" "ফেন্সিং" ধনুৰ্ব্বিদ্যা, সাতোৰা, লৰাধপৰা কৰা, টেনিচ, ফুটবল, ক্ৰিকেট, হকি, ইত্যাদি বিদ্যাত পৈণত হয়। প্ৰত্যেক জাপানীয়ে গান গাব, বাজনা বজাব আৰু ছবি আঁকিব জানে। অলপ-অচৰপ ৰান্ধিব, সিব জানে। মুঠতে জাপানী বিদ্যালয়ে জাপানী ডেকাক এনেকৈ বিদ্যালয়ৰপৰা শিকাই বুজাই উলিয়াই দিয়ে যে, পৃথিবীৰ যলৈকে তেওঁ যাওক, তেওঁ যেনেতেনে মতে জীৱিকা উপাৰ্জ্জন কৰি খাই থাকিব পাৰিব, দুখত নপৰে। আমাৰ বিশ্ববিদ্যালয়ে এনে সৰ্ব্বাঙ্গসুন্দৰ বিদ্যা শিক্ষাৰ ব্যৱস্থা কেতিয়া কৰিব ?

***

বিলাতৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত শিক্ষা সমাপন কৰি আহি, নিজৰ বিদ্যা বুদ্ধিৰ বলেৰে কলিকতাত অতি শ্ৰেষ্ঠ সন্মান পাই গণ্যমান্য হৈ থকা

কৃতী পুৰুষ এজনেৰে সৈতে সিদিনা আমাৰ কথাবাৰ্ত্তা হোৱাত, তেওঁ ভাৰতবৰ্ষত প্ৰচলিত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ দুৰৱস্থাৰ বিষয়ে অনেক কৈ, তাৰে ভিতৰত এই কেইআষাৰ কথা কৈছিল।—মই কেম্ব্ৰিজত থকাডোখৰ কালত দেখিছিলোঁ, তাত যতবিলাক ছাত্ৰ আছিল, মোৰে নিচিনা অপদাৰ্থ দুজন-চাৰিজনৰ বাহিৰে, আৰু ডিউক-অৱ-চদৰলেণ্ডৰ পুতেকৰ নিচিনা জনচেৰেকৰ বাহিৰে, এটাইবোৰেই নিজৰ কাম নিজে কৰিছিল, আন কি, নিজৰ "ব্ৰেক্‌ফাষ্ট" অৰ্থাৎ পুৱাৰসাজ নিজ হাতে বান্ধি খাইছিল; ওপৰত কোৱা আমি কেইজনেহে "কিচেন" অৰ্থাৎ ৰান্ধনিঘৰৰপৰা আমাৰ "ব্ৰেক্‌ফাষ্ট" আনি খাইছিলোঁ। যিসকল ছাত্ৰৰে নিজৰ "ব্ৰেকফাষ্ট" বান্ধি খাইছিল, তেওঁলোক যে দুখীয়া মানুহৰ লৰা এনে নহয়, বৰং সৰহভাগেই ক্ৰোৰপতিৰ লৰা। তাত বিশ্ববিদ্যালয়ৰ শিক্ষাই এনে "চৌকস্"। সেই শিক্ষাই লৰাক ভৱিষ্যত জীৱনৰ নিমিত্তে সকলো প্ৰকাৰে যোগ্যতা লাভ কৰোৱায়।—কি দুখৰ কথা যে আমাৰ দেশৰ বিশ্ববিদ্যালয়ে আমাৰ লৰাক-নাটকৈ একো একোটা "ফিলজফৰ" কৰি আৰু খোদৰ-পচলা কৰি তোলে। কেতিয়া আমাৰ দেশৰ শিক্ষাই তেনে সৰ্ব্বাঙ্গসুন্দৰ শিক্ষা দি আমাৰ লৰাবোৰক মানুহ-মুৰা কৰিব?

***

আমাৰ আসামত সৰহকৈ, আৰু ভাল "বালিকা বিদ্যালয়" বা ছোৱালীৰ স্কুল নাই বুলি আমি বেজাৰ কৰোঁহক; কিন্তু এইটো ভাবি নাচাওঁহঁক যে আমাৰ লৰাবোৰক শিক্ষা দিবলৈ যি গঢ়ৰ স্কুল হৈছে, তেনে গঢ়ৰ স্কুল হোৱাতকৈ নোহোৱাই মঙ্গল। যি শিক্ষাই তিৰুতাৰ "তিৰুতাত্ব" কমাই অৰ্থাৎ তিৰুতাক প্ৰকৃত ঘৈণী, মাক, মাহেক, ভনীয়েক হোৱাত বিঘিনি ঘটাই, তিৰুতাক womanly virtue তিৰুতা-সম্পদ-বিৰহিত কৰে, সেই শিক্ষা আমাৰ দেশত নোসোমাই বিদেশত থকাই ভাল। যি শিক্ষাই তিৰুতাক ঘৰৰ ৰান্ধনী হবলৈ একবাৰ খোজে, আৰু পৰিবাৰবৰ্গৰ কাপোৰ-কানি নিজহাতে ধবলৈ লাজ লগা কৰিব খোজে, লৰা-ছোৱালীক নিজে পিয়াহ দি তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈ আওকণীয়া কৰিব খোজে, ডাঙৰ হৈ হাকিম, ডাক্তৰ,উকিলৰ ঘৈণীয়েক হৈ ডাক্তৰণী বা উকিলনী হৈ,হাতত পইচা



হোৱা বাবে ভাতৰন্ধা বামুণ, লগুৱা লিগিৰীৰ ওপৰত ভিৰ দি চলি, মাথোন অলঙ্কাৰ-পাতি আৰু জেকেট শাৰী পিন্ধি, মাথোন চিঠি লেখিবলৈ, নভেল পঢ়িবলৈ, কবিতা লেখিবলৈ শিকায়, আৰু ডাঙৰীয়ানী ফলাবলৈ চৌপৰত "গা-বেয়াৰ" ফাকতি কৰি গিৰিয়েকৰ আৰু লগুৱানীৰ আতৌ-পুতৌ শুনি হিয়া জুৰাবলৈ শিকায়, সেই বিধৰ শিক্ষাক আসামৰপৰা খেদি নি হানিবা চক্ৰিত উলিয়াই থৈ আহিব পাৰিলেহে আমি লাচিৎ বৰফুকনৰ দেশৰ নাম ৰাখিব পাৰিম, নতুবা সেই সৰ্ব্বনাশীয়া শিক্ষাই অসমীয়াক গোলাম কৰিব। আমাৰ তিৰুতাৰ নিমিত্তে এই কালৰ উপযোগী শিক্ষালয় স্থাপিত হওক, তাত ইংৰাজী, সংস্কৃত, অসমীয়া কিতাপ পঢ়োৱা হওক তাত হানি নাই,—হানি নেলাগে তাৰ দ্বাৰাই আমাৰ দেশৰ তিৰুতাসকলৰ উপকাৰ হে হব,—কিন্তু তাৰ লগে লগে ইস্কুলত ৰন্ধা-বঢ়া, চোলা-সিয়া কাপোৰকানি বোৱা, দুখ কৰি ঘৰ-বাৰি কৰি খাবলৈ শিকনি দিয়া, ছবি আঁকা, গান-বাজনা শিকোৱা, ইত্যাদি বিষয়ৰ শিক্ষাৰ দিহা হব লাগে; দেশৰ অসমীয়া পুৰণি সাহিত্য পুথি পঢ়োৱা হব লাগে, যাতে এই কালেৰে, অসমীয়ানীয়ে ভালকৈ সামঞ্জস্য কৰি ঘৰ-সংসাৰ কৰিবৰ নিমিত্তে, পুৰণিকালেৰে সৈতে বঢ়িয়াকৈ চিনাকী হব পাৰে। Broad principles of religion অৰ্থাৎ ধৰ্ম্মৰ যিবোৰ উদাৰ শিক্ষা সকলো সম্প্ৰদায়ৰ মানুহকে দিব পাৰি, তেনে শিক্ষাও এই স্কুলবোৰত যেন হয়।

---

আসামৰপৰা এজনে আমালৈ এটা প্ৰশ্ন কৰি এখন চিঠি লিখিছে। তেওঁ সুধিছে—"কোনো ব্ৰাহ্মণ যদি বিলাতলৈ যায়, আৰু, যাওঁতে তেওঁ বাটত যদি মুছলমান খানচামাই ৰন্ধা ভাত, মঙহৰ আঞ্জা আদি খায়, আৰু বিলাততো থাকি ইংৰাজ খৃষ্টান ৰান্ধনিৰ হাতে তেনে কাৰ্য্যকে কৰে, তেন্তে তেওঁ উভতি আহি যদি শৰাধ আদি পাতি, কোমল-চাউল, চিৰা আদি সিদ্ধান্ন-পক্কান্নসম্বলিত জলপান "ভো-ব্ৰাহ্মণসকলক" খুৱাই শিকিটো, আধলিটো, টকাটোকৈ বা তাতো ওপৰঞ্চিকৈ দক্ষিণা দি সেই ফৰন খাওঁতা বিপ্ৰসকলক বিদায় দিয়ে, তেন্তে সেই ব্ৰাহ্মণসকলৰ জাত যায় নে থাকে?"

আমি কওঁ যে আমি এই প্ৰশ্নৰ উত্তৰ দিবলৈ অপাৰগ। কাৰণ, আমি মনুকে প্ৰমুখ্য কৰি স্মৃতিকাৰসকলে ৰচনা কৰি থিহা শাস্ত্ৰত পণ্ডিত নহওঁ,—পণ্ডিত তো নহয়েই, সেইবোৰ শাস্ত্ৰত প্ৰবেশ কৰিব নোৱৰা গো-মূৰ্খ কেই আমাক বুলিব লাগে। তেওঁ আমাৰৈল এনে প্ৰশ্ন কিয় কৰি পঠিয়ালে, আমি অভাজনে বুজিব নোৱাৰিলোঁ। যি হওক, এক্ষাৰত পৰি থকা তেওঁক আমি এটা বাট দেখুৱাব পাৰোঁ।:—যোৰহাটত কোনো ভাল মানুহৰ ঘৰত সিদিনা, সমাজৰ গুৰি ধৰোঁতা পণ্ডিতসকলৰ এখন সভা বহাটোৰ বাতৰি আমি বাতৰি কাকতত পঢ়িছিলোঁ। সেই কৰ্ণধাৰ বা গুৰিয়ালসকললৈকে তেওঁ যদি এই প্ৰশ্ন কৰি পঠিয়ায়, তেন্তে নিশ্চয় ইয়াৰ সদুত্তৰ তেওঁ পাব, আৰু তেওঁৰ সন্দেহ-গাঁঠিৰ আউল তেওঁলোকে ভাঙ্গি দিব বুলি আমাৰ বৰ বিশ্বাস।

---

# শ্ৰীকৃষ্ণ-কথা।

আমাৰ মৰণ নিশ্চিত বস্তু; কিন্তু আমাৰ মানে কাৰ? দেহৰ; প্ৰকৃত আমাৰ নহয়। দেহত আত্মাবুদ্ধি কৰোঁতাইহে মৃত্যুক স্বীকাৰ কৰি লয়। এই কাৰণেই ভক্তই আত্মনিন্দা কৰি খেদ কৰি কৈছে:—

"তুমি প্ৰাণ প্ৰিয়তম সুহৃদ পৰমদেৱ, প্ৰাণপ্ৰভু পীতাম্বৰ এ,
তুমিসে কেৱলে আত্মা মোৰ।
তোমাক নাজানি জড় মিছা শৰীৰক মই, প্ৰাণপ্ৰভু পীতাম্বৰ এ,
আত্মা বুলি ভৈলোঁ সেৱা-চোৰ॥
প্ৰাণবন্ধু কিনো মই অজ্ঞানী দুৰ্ঘোৰ॥"

"অনাত্মা দেহক আত্মা বুদ্ধি কৰি, হৰি হৰি হৰি হৰি এ,
সেৱা পৰিহৰি সি সুখে ভৈলোঁ বঞ্চিত॥"—ঘোষা।

দেহত আত্মাবুদ্ধি নকৰোঁতাই অমৃত পৰমাত্মাক জানি, আৰু নিজক সেই অমৃত পৰমাত্মাৰ সন্তান বুলি জানি অমৃতক স্বীকাৰ কৰি লয়। "শৃণ্বন্তু



বিশ্বেঽমৃতস্য পুত্ৰাঃ। যে ধামানি দিব্যানি তস্থুঃ।"—উপনিষদ। দেহক স্বীকাৰ কৰি লোৱা মানে মৃত্যুক স্বীকাৰ কৰি লোৱা; কাৰণ দেহৰ মৰণ নিশ্চিত। এই মৰণৰ হাত এৰাব খুজিলে অৰ্থাৎ দেহক ভাল পাই তাকে মাথোন ৰক্ষা কৰিবৰ চেষ্টা কৰিলে জীব নোৱাৰি, কিয়নো শত চেষ্টাতো তাৰ বিনাশ ধ্ৰুৱ; মৰণক আনন্দেৰে সৈতে গ্ৰহণ কৰি ললেহে জীব পাৰি। আমি সকলোৱে নিজৰ শৰীৰক ভাল পাওঁহক, অনেক ভাল পাওঁহক; কিন্তু এই ভাল-পোৱা প্ৰেম নহয়, এই ভাল-পোৱা কাম হে। প্ৰেমহে মৃত্যুঞ্জয়, কাম নহয়। প্ৰেমেই অমৰতা আনি দিয়ে, কামে নোৱাৰে।

"প্ৰেমৰ আগত কিবা দুখ,
কিবা মৃত্যু?—প্ৰেম মৃত্যুঞ্জয়।
ৰোগ শোক তাপ অভিমান,
মানুহৰ মনৰ জঞ্জাল।
জঞ্জালতে আত্মবলিদান!
—নোহে ইটো পৰমাৰ্থ জ্ঞান
যি প্ৰেমেই তোমাৰ সম্বল,
সেয়ে স্পৰ্শমণি সংসাৰৰ।
কিবা চোৰা, হাততে ৰতন
প্ৰেমেই-যে শান্তি জগতৰ।"—প্ৰতিমা।

অনেক সময়ত মানুহে সাধাৰণ ভাল পোৱাকে প্ৰেম বুলি ভ্ৰমত পৰে; কিন্তু এই দুটাৰ ভিতৰত বিস্তৰ প্ৰভেদ। মুঠতে, ভাল-পোৱা স্বাৰ্থবিজড়িত; প্ৰেম স্বাৰ্থত্যাগ। ভালপোৱা তুলাচনীত উঠি বিক্ৰি হয়; প্ৰেম বিশ্বব্ৰহ্মাণ্ড জোৰা অগাধ অনন্ত। গোকুলৰ গোপ গোপীয়ে শ্ৰীকৃষ্ণক ভাল পাইছিল; কংসইও ভনীয়েক দৈৱকীক ভাল পাইছিল। গোপীসকলে পতি পুত্ৰ গৃহ ধন বস্তু, আন কি নিজৰ প্ৰাণকো কৃষ্ণপ্ৰেমত আহুতি দিছিল। যি কেইজন গোপীয়ে "শৰৎকালৰ চন্দ্ৰাৱলী ৰাতিত" কৃষ্ণৰ বংশীধ্বনি শুনি কৃষ্ণৰ ওচৰলৈ যাব নোৱাৰিলে, তেওঁলোকে হৃদয়ত কৃষ্ণকে একান্ত মনে ধ্যান কৰি, কৃষ্ণক চিন্তি কৃষ্ণময় হৈ নিজৰ পাৰ্থিব শৰীৰ পৰিত্যাগ কৰি কৃষ্ণক পালে।

"যাইবে নপাই গৃহমধ্যে কতো গোপীগণ।
মনে ধৰি কৰিল কৃষ্ণক আলিঙ্গন ॥
অনেক জন্মৰ কৰ্ম্মবন্ধ কৰি ক্ষীণ।
এড়ি তনু তেখনে কৃষ্ণতে গৈল লীন ॥"—কীৰ্ত্তন।

গোপগোপীয়ে শ্ৰীকৃষ্ণক ভাল পোৱাটোৰ নাম প্ৰেম ; কংসই ভনীয়েকক ভাল পোৱাটো স্বাৰ্থপৰতা-বিজৰিত, সি প্ৰেম নহয়। কৃষ্ণই গোপক কলে তোমালোকে ইন্দ্ৰক পূজা কৰিব নেলাগে। তেওঁলোকে জানিছিল যে ইন্দ্ৰই কোপ কৰি তেওঁলোকক ভয়ানক কষ্ট দিব পাৰে ; কিন্তু শ্ৰীকৃষ্ণ তেওঁলোকৰ ভাল পোৱাৰ বস্তু, সৰ্ব্বস্ব ; তেওঁলোকে ইন্দ্ৰৰ কোপৰপৰা হব পৰা অনিষ্টলৈ চকু মুদি, সেই ভবিষ্যৎ অনিষ্টক তুচ্ছ জ্ঞান কৰি, শ্ৰীকৃষ্ণৰ কথা মতে গোবৰ্দ্ধন পৰ্ব্বতৰ পূজা আৰম্ভ কৰিলে। এইটো ভালপোৱা—প্ৰেম। নিজৰ সুখ দুখ আন কি জীৱনলৈকো পাহৰি, ভালপোৱাজনৰ হাতত সম্পূৰ্ণ আত্মদানেই প্ৰেম।

কংসই মৰমৰ ভনীয়েক দৈৱকীক বৰ সমাৰোহেৰে বিয়া দিলে। তেওঁ ৰথত নিজে ভনীয়েকৰ ৰথ ডকাই গল। এনেতে হঠাৎ দৈৱবাণী শুনিলে :—

"ঘোৰা ডকাই যায় কংস চড়িয়া ৰথত।
শুনিলা আকাশী বাণী যাহাস্তে পথত।
যাক লৈয়া যাস কংস শুনৰে অজ্ঞান।
এহিৰ অষ্টম গৰ্ভে তোৰ লৈবে প্ৰাণ ॥"—শ্ৰীশঙ্কৰদেৱ।

এই কথা শুনিয়েই কংসৰ ইমান মৰম, ইমান প্ৰীতি উৰি গল, আৰু স্বাৰ্থপৰতা, আত্মৰক্ষা, ক্ৰোধ আৰু মৰণৰ ভয়ে আহি সেই ঠাই অধিকাৰ কৰিলে।

"শুনিয়া নিষ্ঠুৰ কংসে খাণ্ডা লৈলে তুলি।
দৈৱকীৰ কেশত ধৰিলা কাটোঁ বুলি ॥"—শ্ৰীশঙ্কৰদেৱ।

ওপৰৰ দৈৱবাণী শুনি যদি কংসই ভাবিব আৰু কব পাৰিলেহেঁতেন যে "মৰণ ? মৰণ তো মানুহলৈ আছেই। তাৰ নিমিত্তে মই মোৰ মৰমৰ ভনীক কাটিবলৈ যাম নে ? তাইৰ কি দোষ ? মৰণৰ ভয়ত মই মৰম প্ৰীতিক জলাঞ্জলি দিম নে ? প্ৰেম যে মৃত্যুঞ্জয় ; প্ৰেম, প্ৰীতি, মৰম যে মৰণতকৈ ডাঙৰ মৰণ তো অতি তুচ্ছ। প্ৰেমেহে মানুহক অমৰ কৰে।" এই কথা কৈ যদি কংসই আৰু আনন্দেৰে উৎফুল্ল হৈ ৰথ ডকাই গলহেঁতেন তেন্তে কংস অমৰ হলহেঁতেন, আনন্দময় হলহেঁতেন। কিন্তু কংসই সেই দৰে ভাবিব, সেই দৰে কব, সেই দৰে কৰিব নোৱাৰিলে। কংসই এই নশ্বৰ দেহৰ বিনাশ, পাৰ্থিৱ মৃত্যুক বৰকৈ ভয় কৰি তাৰ ৰক্ষাৰ নিমিত্তে, প্ৰেম, দয়া, মমতা, ধৰ্ম্ম, ন্যায়, এই সকলোবোৰ অবিনশ্বৰ বস্তুক সেই ভুল কৰ্ম্মনাশাত উটাই দিবলৈ প্ৰস্তুত হল। কংসক যি অবিনশ্বৰ প্ৰেম-মহাযজ্ঞত বিনাশী বস্তুক আহুতি দিবলৈ আসন পাতি দিয়া হৈছিল, সেই আসনৰপৰা তেওঁ বিচ্যুত হৈ, তাক এৰি, পাপ অন্যায় অধৰ্মৰ এক ভীষণ orgies অৰ্থাৎ আধুনিক উৎকট ভৈৰবী উৎসৱত প্ৰবৃত্ত হল। তেওঁ ভনীয়েক বৈনায়েকক লোৰ শিকলি লগাই গোতাশালত থলে, সদ্যোজাত শিশু ভাগিনবোৰক স্বহস্তে বধ কৰিবলৈ ধৰিলে ; পাপ-অন্ধকাৰৰ agent বিশ্বাসঘাতক পুতনা পিশাচীক পঠিয়াই নিঃসহায়, নিৰুপায়, স্বৰ্গীয় প্ৰেমৰ অভিনৱ মুৰ্ত্তি শিশু সকলক বধ কৰাবলৈ ধৰিলে—

"আসিলেক পুতনা মোহিনী নাৰীবেশ।
স্তন দিয়া শিশু মাৰি ফুৰে দেশ দেশ ॥" কীৰ্ত্তন।

তেওঁ শকটাসুৰ, চক্ৰবাত, বৎসাসুৰ, বকাসুৰ, অঘাসুৰ, ধেনুকাসুৰ, প্ৰলম্বাসুৰ প্ৰভৃতি পাপৰূপী দৈত্যসকলৰ সহায় লৈ, প্ৰেমৰ ৰাজ্য বৃন্দাবন উচ্ছন্ন কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। কংস দৈত্যৰ লৰা দৈত্য নহয়, কংস ক্ষত্ৰিয় ৰাজ সন্তান, উগ্ৰসেনৰ পুতেক কৃষ্ণৰ মোমায়েক তেওঁৰ ৰাজ্য আৰ্য্য হিন্দুৰ ৰাজ্য, তেওঁৰ প্ৰজা, তেওঁৰ কাৰ্য্যকাৰকসকল আৰ্য্য হিন্দু, হিন্দু দেৱ দেৱীত ভক্তিমান মানুহ। এনে কংসৰ ৰাজ্যত তেওঁৰ কাৰ্য্যকাৰক হবলৈ পুতনা, কেশী, অঘ, বক বোৰ এতিয়া হঠাৎ কৰপৰা ওলালহি ? সেই ministers of darkness পাপ এন্ধাৰৰ কাৰ্য্যকাৰক সেৱকবোৰে কৰপৰা তেওঁৰ ঈপ্সিত কাৰ্য্য সম্পাদন কৰিবৰ নিমিত্তে তেওঁক বেঢ়ি ধৰিলেহি ? কংস প্ৰেম পুণ্য পবিত্ৰতাৰ আসনৰপৰা যেতিয়া টলিল, তেওঁৰ মনৰ পুণ্য প্ৰবৃত্তিবোৰ দলিত হৈ পাপপ্ৰবৃত্তিবোৰ মুৰ দাঙি উঠিল। মানুহৰ মনত পাপ পুণ্য দুই ৰকম প্ৰবৃত্তি সদায় আছে। পুণ্য প্ৰবৃত্তিৰ প্ৰভাৱ যেতিয়া

মনত প্ৰবল হৈ থাকে, তেতিয়া পাপ প্ৰবৃত্তিবোৰ ভয়ত চেপা খাই দুৰ্ব্বল হৈ থাকে। মানুহৰ হৃদয়-অৰণ্যৰ মাজত পুণ্য, প্ৰেম, পবিত্ৰতা, ঈশ্বৰৰ প্ৰতি ভয় ভক্তি আদিৰ যেতিয়া প্ৰাধান্য থাকে, তেতিয়া অন্যায় অধৰমৰ কল্মষে মূৰ দোৱাঁই থাকে, আৰু পুণ্যৰ বিজয়-ঘোষণাৰ ধ্বনিত সেইবোৰ লৰি পলায়ন-পৰায়ণ হয়।

"পুণ্য অৰণ্যৰ মাজে মাধৱৰ নাম-সিংহ
প্ৰকাশ কৰয় অতি ৰবে।
যাৰ ধ্বনি শুনি ভয়ে মহাপাপ হস্তীচয়
পলায় অতি ত্ৰাসত লৰবে॥"—ঘোষা।

"ৰাম নাম মহা প্ৰমত্ত সিংহৰ
ধ্বনি শুনি বিণি বিণি,
পাপময় মত মাতঙ্গ পলায়
মিলিল হেৰা বিঘিনি॥

ৰামকৃষ্ণ নাম কীৰ্ত্তন বাড়ৱ
অগনিৰ শিখা লাগি।
অসুৰ ৰাক্ষস পাষণ্ড পিশাচ
পলায় দশোদিশে ভাগি॥" ঘোষা।

ইয়াৰ ওলোটা অৱস্থাই মানুহৰ হৃদয়ত স্থান ললেই অসুৰ ৰাক্ষস পাষণ্ড পিশাচে চাৰিফালৰপৰা আহি মানুহক বেঢ়ি ধৰি "প্ৰভু আমাক আজ্ঞা দিয়ক আমি আপোনাৰ ইচ্ছা মতে কি কাৰ্য্য সাধন কৰিব লাগে কৰোহক।" বুলি হাত জোৰ কৰি থিয় হয়হি। আৰ্য্য ক্ষত্ৰিয়ৰ সন্তান কংসৰো যেতিয়া "অসুৰ-স্বভাৱে" লগ ললেহি, তেতিয়া কংসাসুৰৰ মন যোগাবৰ নিমিত্তে পুতনা পিশাচী, অঘাসুৰ বকাসুৰকে আদি কৰি অসুৰবোৰ উভুৱ হৈ সিইতে তেওঁৰ মনৰ হৰ্ষবিধান কৰিবলৈ ধৰিলেহি। মানুহে জীৱনত ধৰ্ম-পথৰপৰা এবাৰ পিছলি পৰিলে এনেকুৱাই হয়। তেতিয়া মানুহে খোজে খোজে পিছলি পিছলি, এটা পাপৰপৰা আন এটা ডাঙৰ পাপ, আৰু সেইটোৰপৰা গৈ তাতোকৈ এটা ডাঙৰ পাপত পৰি সেই অনুক্ৰমে নামি গৈ থাকে। সেইদেখি কংসই প্ৰথম পাপত পৰি, তাৰ দ্বিতীয় খাপ দৈৱকী



বসুদেৱক কাৰাগাৰত বন্দী কৰিলে, তাৰপৰা বাগৰি শিশু ভতিজাবোৰক বধ কৰিলে, তাৰপৰা বাগৰি পুতনাক পঠিয়াই ৰাজ্যৰ শিশুবোৰক বধ কৰোৱালে। যি নিৰ্ম্মল শিশুৰ মূৰ্ত্তিত স্বৰ্গীয় দৃশ্য, শত বালগোপালৰ অমৃতময় প্ৰকাশ, তেনে হেজাৰ হেজাৰ শিশুবধ পাতকত,কংস লিপ্ত হবলৈ ধৰিলে। যিটো প্ৰবৃত্তিক ভাবি ভাবি যিমান প্ৰশ্ৰয় দি বঢ়োৱা যায়, সি সিমান বাঢ়ি উঠে, সিমান সি মহাকায় হয়। পাপ প্ৰবৃত্তিকো যিমান বঢ়োৱা যায়, সিমান সি বাঢ়ি পৰ্ব্বতাকাৰ হয়,আৰু সি তাৰ বদন ব্যাদান কৰি সিমানকৈ গিলিবলৈ আহে। কংসৰপৰা সেইদৰে বৰ্দ্ধিত হোৱা পাপপ্ৰবৃত্তি অঘাসুৰ বাঢ়ি মহাকায় হৈ, বৃন্দাবনৰ পুত পবিত্ৰ আনন্দময় গোপ গৰুৰে সমন্বিতে কৃষ্ণক সি গিলিবলৈ আহি, তেওঁলোকৰ বাটত মুখ ব্যাদান কৰি ৰলহি।

"দুষ্ট অঘে (পাপ অসুৰ) পাতিলেক কাপ।
বাট ভেন্টি ভৈল ঘোৰ সাপ॥
পৰ্ব্বত সমান কলেৱৰ॥
বাইল বেস্ত সম্যকে গহ্বৰ॥
তল ওঠ মাটিত থাপিল।
ঊৰ্দ্ধ ওঠ মেঘত লাগিল॥" কীৰ্ত্তন।

কিন্তু আনন্দময় প্ৰেমময় পুণ্যক পাপে গিলিব নোৱাৰে। পোনতে সি মুখ মেলি পুণ্যপ্ৰেমক গিলি তাৰ পেটত ভৰালেও পূৰ্ণানন্দময় মূৰ্ত্তিয়ে তাক ধ্বংস কৰি প্ৰেম-গোপবালক গাইৰুৱক মেঘমুক্ত শশধৰৰ নিচিনাকৈ উলিয়াই আনিবই।

"দেখি ভূমি ভক্তৰ যেহত।
পশিলাহা অঘৰ গৰ্ভত॥
দেখি আঁটি ধৰিল দশন।
তুলিলেক হাঁসি দৈত্যগণ॥
দেৱগণে কৰে হাহাকাৰ।
গল-চুঙ্গি ভেন্টি দৈলা তাৰ॥
পেট ফিঙ্গি বায়ু দিলে টান।
মূৰ্দ্ধা ফুটি বাজ ভৈল প্ৰাণ॥

অমৃত নয়নে চাইলা হৰি।
জীল সবে গোবৰ্দ্ধ দামুৰি ॥
ৰঙ্গে বাজ ভৈলা বংশী বাই।
ফুৰা সবে দামুৰি চৰাই ॥" কীৰ্ত্তন।

পাপৰ মূৰ্ত্তি যিমানকে ডাঙৰ হওক, তাঁৰ কি সাধ্য যে সি আনন্দময়ৰ সেৱকৰ অনিষ্ট কৰে? প্ৰেম আৰু আনন্দ যে মৰণতকৈও ডাঙৰ; প্ৰেম যে মৃত্যুঞ্জয়। নিজক পাৰ্থিৱ মৰণৰপৰা ৰক্ষা কৰিবলৈ যি নানা উপায় অৱলম্বন কৰি পৰৰ অনিষ্ট কামনা কৰি চলে, তাৰ অৱস্থা কংসৰ নিচিনাই হয়,—নিজক যে সি মৃত্যুৰ হাতৰপৰা ৰক্ষা কৰিব নোৱাৰেই, বৰং পাপ কৰ্ম্মৰ আৰু সৰহকৈ বুৰে।

———

# প্ৰশ্নোত্তৰ।

—০—

শ্ৰীযুক্ত সম্পাদক ডাঙৰীয়া!

৮ম বছৰৰ ৬ষ্ঠ সংখ্যা বাঁহীত যি কেইটা প্ৰশ্ন আহিছিল, তাৰ উত্তৰ কেইটামান জনা-নজনায় দিবলৈ আগ বাঢ়িলোঁ।

শ্ৰীচন্দ্ৰকান্ত ডেকা অধিকাৰ মহন্ত
সাং হলগুড়ি পোঃ অঃ।
নওলা মুখ
নৰমাটি সত্ৰ।

১ম প্ৰঃ। শ্ৰীশ্ৰীশঙ্কৰৰ শুদ্ধ মত শুদ্ধ ধৰ্ম্ম বুলিলে কি বুজায়?

উত্তৰ। একশৰণ শ্ৰৱণ কীৰ্ত্তনাদি ভক্তি বুজায়।

যথা। "হৰিত শৰণ লৈয়া যিতো জন এ, হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তণ কৰে। দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ, সিতো মহাজনে অতি অপ্ৰয়াসে তৰে।" ঘোষা।



২য় প্ৰঃ। ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, কাল সংহতি, কিয় বোলে?

উঃ। ৺শ্ৰীশ্ৰীশঙ্কৰদেৱ শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰচলিত সময়ত সংহতি বিভাগ নাছিল; কেৱল ৺দামোদৰদেৱ, ৺বংশীগোপালদেৱ, ৺কালজাৰ গোপাল আতাৰ পৰা সংহতি ভাগ হয়। ৺দামোদৰ আৰু ৺বংশীগোপাল দেৱৰ দ্বাৰাই ব্ৰহ্ম সংহতি, ৺পুৰুষোত্তম আতাৰপৰা পুৰুষ সংহতি, ভৱানীপুৰীয়া বা কালজাৰ ৺গোপাল আতাৰপৰা কাল সংহতি হয়।

প্ৰঃ। আচণ প্ৰবৰ্ত্তন কিবা প্ৰভেদ আছেনে?

উঃ। শৰণ ভাগৱতী ধৰ্ম্ম এক হলেও অন্তৰত বিভাগ আছে। শ্ৰীশ্ৰীশঙ্কৰদেৱে ভক্তি সংকলিত ৰত্নাকৰ গ্ৰন্থত ভক্তিবিভাগ দেখুৱাইছে।

১ম পূজা, ২য় প্ৰথম ভাগৱতীভক্তি, ৩য় উত্তম ভাগৱতী বা কেৱলা ভক্তি, ৪ৰ্থ অন্তৰঙ্গা ভক্তি, ৫ম নিৰ্গুণা ভক্তি, ৬ষ্ঠ সপ্ৰেমা ভক্তি,।

যথা—অথ ইদানিং কৃষ্ণাৰ্চ্চনং মাহাত্ম্যং কথ্যতে। অথেদানীম্ভগৱদ্ভক্তি যোগ নিৰূপ্যতে। অথ ভগৱান্নুদ্ধৱম্প্ৰত্যন্তৰঙ্গা ভক্তি মাহ।
ইদানিং নিৰ্গুণা ভক্তিং নিৰূপ্যতে। ইদানিং সপ্ৰেমা ভক্তি মাহ।

অথ ইদানিং সগুণ নিৰ্গুণ ভেদেন জ্ঞানাদি নাৰ্কাতুৰ্ব্বিধা মাহ। *

এইৰূপে ভক্তি আৰু জ্ঞান বিভাগ দেখুৱাইছে; এই জ্ঞান ভক্তিবিভাগ মতে সংহতি আচৰণ প্ৰবৰ্ত্তন বেলেগ হয়। শ্ৰীশ্ৰীশঙ্কৰদেৱকৃত ৰত্নাকৰ।

আৰু যথা—"মাধৱ বদতি শুনিয়োক সৃষ্টিকৰ। মোৰ নিজ ধৰ্ম্ম যিতো বেদ অগোচৰ। মোত হন্তে তিনি মতে ধৰ্ম্ম প্ৰবৰ্ত্তিব। পুৰুষ ব্ৰাহ্মণ কাল ইহাক জানিব।" পদ্মপুৰাণ স্বৰ্গ খণ্ড।

জ্ঞানপ্ৰবৰ শ্ৰীযুত দীননাথ বেজবৰুৱা ডাঙৰীয়াৰ দ্বাৰাই সঙ্কলিত ৰুদ্ৰ যামলৰ আচাৰ্য্য সংহতি গ্ৰন্থত তিনি সংহতি উল্লেখ আছে। শ্ৰীশ্ৰীশঙ্কৰদেৱৰ অৱতাৰ দিনত যি যি আচাৰ্য্য নাম ধৰিছে, তেৱা সকলৰ নাম মতে সংহতি হয়; আচৰণ প্ৰবৰ্ত্তনো তেৱাসকলৰ মতানুযায়ী হয়।

আৰু চাবলৈ গলে শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিত্ৰত আৰু ৺শ্ৰীদামোদৰদেৱৰ গুৰুলীলা চৰিত্ৰত পৰস্পৰ মত বিৰুদ্ধ আছে। সেইদৰে কালজাৰ গোপাল

* বাহুল্য হয় বুলি ৰত্নাকৰৰ ভক্তিলক্ষণবোৰ দিয়া নহল।

আতাৰে আৰু ৺পুৰুষোত্তম ঠাকুৰৰো কিছু মতান্তৰ আছে। গোপাল আতাৰ আদখানি চৰিত্ৰত লিখা আছে, যে—প্ৰঃ, কাক গুৰু মানিছা? (পোৰা ভিটা ভক্ত সমাজত) এতেক বুজা গৈছে ধৰ্ম্ম ভক্তি এক হলেও মত বিৰুদ্ধই সংহতি বিভাগ।

প্ৰঃ। প্ৰত্যেক সংহতিৰ উপাস্য দেৱতা কোন?

উঃ। তিনি সংহতিৰ উপাস্য দেৱতা দৈৱকী-নন্দন।

যথা—"একেখানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ, দৈৱকীনন্দনে কৈলা যাক, দেৱো একে মাত্ৰ দৈৱকী দেৱীৰ সুত। দৈৱকী পুত্ৰৰ পদসেৱা, কৰ্ম্মো এক এহি মানে মাত্ৰ, মন্ত্ৰো এক তান নাম মাত্ৰ অদভুত।" ঘোষা।

এই বচন অনুসাৰে তিনি সংহতিৰ এক দেৱতা। কোনোৱেই ঘোষাৰ বাক্য এৰিব নোৱাৰে। তথাপি এক কৃষ্ণৰ বৃন্দাবন, মথুৰা, দ্বাৰকা লীলা আছে, লীলা অনুসাৰে মূৰ্ত্তিৰো আছে।

প্ৰঃ। বৈষ্ণৱধৰ্ম্মত বেলেগ সংহতিৰ আৱিৰ্ভাৱ কৰাৰ উদ্দেশ্য কি?

উঃ। বৈষ্ণৱধৰ্ম্মত বেলেগ সংহতি কৰাৰ উদ্দেশ্য, বাহিৰত প্ৰথম ভাগৱতী ধৰ্ম্ম এক হলেও অন্তৰত ভক্তিবিভাগ আৰু জ্ঞান বিভাগৰ কাৰণ।

প্ৰঃ। নিকা সংহতি বুলি কিবা সংহতি আছেনে?

উঃ। এই সংহতি স্বৰ্গখণ্ডাদি শাস্ত্ৰত উল্লেখ নাই, যদি সংহতি হয়, তেন্তে এই তিনি সংহতিৰ কোনো একৰ অন্তৰ্গত হব পায়। আচাৰ নিকা হোৱা কাৰণেই নিকা হবলা।

প্ৰঃ। মহন্ত কিয় বোলে? মহন্তসকলৰ আচৰণ প্ৰৱৰ্ত্তন কেনে হব লাগে?

উঃ। "কৃষ্ণপদ মাত্ৰ সেৱা কৰে, সকলো কামনা পৰিহৰে, বেদ ব্যৱহাৰ কদাচিতো নলঙ্ঘয়। কৃষ্ণপদ মাত্ৰ সুখ মন, কৰে অনুভৱ অনুক্ষণ, ইহাকে মহন্ত বুলিয়া জানা নিশ্চয়॥" ঘোষা।

"শুনা সৃষ্টিকৰ মহন্ত জনৰ লক্ষণ কহিবো সাৰ। মোৰ শান্ত মূৰ্ত্তি ৰূপত ভজিব কামনা কৰি পৰিহাৰ। মোৰ নিজ ভক্তি সততে কৰয় অনুভাৱ সৰ্ব্বক্ষণ। বেদব্যৱহাৰ কাকো নলঙ্ঘয় সেহিসে মহন্ত জন॥"

পদ্মপুৰাণ স্বৰ্গখণ্ড।



মহন্তই বেদ মত উলঙ্ঘা নকৰি ভক্তি আচৰণ কৰি কৃষ্ণৰ ভজনত প্ৰৱৰ্ত্তিব।

৪। প্ৰঃ। গুৰু কিয় বোলে?

উঃ। "গু শব্দেনান্ধকাৰস্যাক্রুশব্দ তন্নিৰোধকঃ। অন্ধকাৰো নিষেধিত্বা তং গুৰু বিধিয়তে॥" গুৰুগীতা।

গু শব্দে অন্ধকাৰ, ৰু শব্দে নিৰোধ কৰা, অন্ধকাৰ নাশ কৰি পোহৰ কৰা কাৰণেই গুৰু। অৰ্থাৎ শিষ্যৰ অজ্ঞান অন্ধকাৰ নাশ কৰি জ্ঞান প্ৰকাশ কৰি দিয়া কাৰণে গুৰু বোলে।

"আত অনন্তৰে কৈবো একো কথা গুৰুৰ লক্ষণ সাৰ। পঞ্চভূত মূলমন্ত্ৰ ব্যাখ্যা কৰি দেহক কৰি বিচাৰ॥ সমস্ত ভূতক আত্মা সম দেখি মনে হিংসা নকৰিব। লাভালাভ সুখ দুঃখ মনে মানি সবাকো মোতে অৰ্পিব। মোহ মায়া ৰাগ মদ মল কাম দম্ভ দ্বেষ এড়িবেক। শাস্ত্ৰতো পণ্ডিত আমাতো ভকত উত্তমক জানিবেক॥ ছেদিয়া ভেদিয়া নৱবিধ ভক্তি সততে মনে আচৰে। উপদেশ দাতা সেহি গুৰু হৈব শুনা তুমি সৃষ্টিকৰে॥"

পদ্মপুৰাণ স্বৰ্গখণ্ড।

"মোহ মায়া ৰাগ মদ কল কাম দম্ভ দ্বেষ আদি ভাৱ। যি গুৰু জনত ইসব নথাকে প্ৰশংসো তাহান পাৱ॥" ঘোষা।

প্ৰঃ। কি কৰ্ম্মৰ দ্বাৰাই গুৰু শিষ্যৰ সম্বন্ধ ঘটে?

উঃ। তত্ত্বজ্ঞান, মূল নাম, নিজ মূৰ্ত্তি পৰিচয়, ইয়াৰদ্বাৰাই সম্বন্ধ ঘটে যথা—

"শুদ্ধ শিষ্য সৱে উপদেশদাতা গুৰুক হৰি মানিব। গুৰুৱে শিষ্যক প্ৰাণবন্ধু বুলি নিজ ভক্তি প্ৰৱৰ্ত্তইব॥ গুৰুৰ শিষ্যৰ ইমত স্বভাৱ পৰম আনন্দময়। গুৰু কৰ্ণধাৰ মক্তি ভৈলে। বায়ু বৈকুণ্ঠ থানে চলয়॥ যদ্যপি গুৰুৰ শিষ্যৰ বিয়োগে গুপ্ত জ্ঞান নঘটয়। সিতো শিষ্যগুৰু আত্মাঘাতী হুয়া সংসাৰ কূপে পড়য়॥" পদ্মপুৰাণ স্বৰ্গখণ্ড।

"হৰি যেন অতি কৃপাময়, ভক্তগুৰু জানা সেহি নয়, দুয়োজন এক, শৰীৰত মাত্ৰ ভিন্ন। কৃপাৰসে তুষ্ট হুয়া॥

চিত্ত, লোকৰ হিতক চিন্তি ননিত, নিজগুণে তুষ্ট হুয়ো অহঙ্কাৰ হীন সেব্য সেৱকৰ অভেদ জ্ঞান যাৰাই সম্বন্ধ ঘটে।

প্রঃ। গুৰুৱে শিষ্যৰপৰা কৰ লব পায় নে?

উঃ। গুৰুৱে শিষ্যৰ ধাৰ্য্য কৰি কৰ লব নাপায়, কিন্তু গুৰুৱে নললেও শিষ্যই দিব পায়। যথা—"আসনং শয়নং বস্ত্রং বাহনং ভূষণাদিকং। সাধকেন প্রদাতব্য গুৰু সন্তোষ কাৰণম্॥" গুৰুৰ সন্তোষৰ কাৰণে সাধকে সকলো দিব পায়। "কপট এড়িয়া নিজ চিত্ত অনুসাৰে। ভগৱন্ত নাৰায়ণ অৰ্চ্চনি সবাৰে॥" ৰত্নাৱলী।

"যিতো মহামতি গুৰুজনে হৰিভক্তি পথউপদেশ দিয়া দুঃখময় সংসাৰ পাৰ কৰে; হেনয় পৰম গুৰু ঋণ শুজিবাক প্রতি জানানিষ্ঠ অন্তত্র উপায় নাহি অগ্ৰলিত পৰে॥ হৰিভক্তি দাতা গুৰু ঋণ শুজিবাক যিতো অহঙ্কাৰী অনেক যতনে মনত আলোচে মাত্র। ঋণ শুজিবাক নপাৰয় জানিবাহা সিতো দুৰাশয় উপলা সদৃশ বিনোদৰ ভৈল পাত্র॥ ঘোষা।

শৰণ সংহিতাত শৰণক তিনি ভাগ কৰিছে; প্রথম মধ্যম উত্তম ভাগত। সামান্য দ্রব্য বস্ত্র নিবেদন কৰে,তাকে প্রথম বোলে; দ্রব্য বস্ত্র পুত্র ভাৰ্য্যাদি নিবেদন কৰে তাকে মধ্যম বোলে; সৰ্ব্ব সম্পত্তি পুত্র ভাৰ্য্যাদি সমন্বিতে আপোনাৰ দেহকো নিবেদন কৰে তাকে উত্তম বোলে।

"ভগৱন্ত নিগদতি, শুনিয়ো অৰ্জ্জুন মহামতি, তোমাত কহওঁ পৰম ইতো ৰহস্য। ঐশ্বৰ্য্য বিভূতি যিসমে, জানে যিতো মোক নৰোত্তমে সিও ভৈল মোৰ মজি ভৈলো তাৰ বশ্য॥" ঘোষা।

শিষ্যই গুৰুক হৰি বুদ্ধি কৰি ভক্তি কৰিব, তাত কোনো সামান্য কৰ দিয়াত কোনো দোষ হব নোৱাৰে।

প্রঃ। কৰ লোৱা প্রথা কেতিয়াৰপৰা প্রচলিত হল?

উঃ। আগত কালত গুৰুৱে ধাৰ্য্য কৰি কৰ লোৱা প্রথা নাছিল। গুৰুৰ খোৱাবৰ্গ বেছি কাৰণে স্বৰ্গীয় ৰুদ্রসিংহ ৰজাৰ পাছৰপৰা কৰ লোৱা প্রথা প্রচাৰ হয়।

৫। প্রঃ। ভক্ত আৰু বৈষ্ণৱৰ প্রভেদ কি?

উঃ। ভক্ত বৈষ্ণৱৰ বেছি প্রভেদ নাই, মাত্র অল্প।



"বৈষ্ণৱজনৰ মজি কহিবো লক্ষণ। মাতৃসম দেখিবেক পৰদাৰগণ॥ বিষ্ঠা সম দেখিবেক পৰৰ দ্রব্যক। আত্মা সম দেখিবেক সমস্ত ভক্তক॥ বেদ ব্যৱহাৰ কৰ্ম্মমানে আচৰিব। অন্য দেৱতাক নিনিন্দিব নভজিব॥ মোহোক ভজিয়া মোৰ কীৰ্ত্তন আচৰি। পৰম নিপুণ হৈব কৈলো নিষ্ঠ কৰি॥ ইসব লক্ষণে বৈষ্ণৱক ভাগী হয়। মহামোক্ষ দেওঁ তাক জানিবা নিশ্চয়॥" পদ্মপুৰাণ স্বৰ্গখণ্ড।

"অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ জানিবাহা হৈবেক নিশ্চয়। পৰম বিৰক্ত যিতো কৃষ্ণৰ ভকত ভৈল তাৰ একো নাহিকে নিৰ্ণয়॥" ঘোষা।

"ন যস্য জন্ম কৰ্ম্মভ্যাং ন বৰ্ণাশ্ৰম জাতিভিঃ। সজ্জতেঽস্মিন্নহম্ভাবো দেহে বৈ হৰেঃ প্রিয়ঃ॥" ৰত্নাকৰ।

"শুনিয়ো ব্রহ্মা মোৰ ভকতৰ নয়। সন্যাকে বাহিৰ বিধি কিঙ্কৰ নোহয়॥ আমাতো বেদতো কৰি শ্রেষ্ঠ সিতোজন। মোৰ গুৰু সেহি জন স্বৰূপ বচন॥ বেদমন্ত্র দেবাদিৰ মন্ত্রগণ চয়। ব্রাহ্মণে দিবাক জানা যোগ্যতা হোৱয়! মোহোৰ অমূল্য যিতো ভক্তি দানচয়। অন্ত্যজেয়ো ব্রাহ্মণক দিবাক পাৰয়॥" পদ্মপুৰাণ স্বৰ্গখণ্ড।

## বৈষ্ণৱ বাৰজন; ভকত ছয়জন মাত্র।

'একান্ত ভকত যাৰা হয়, কিছু অৰ্থ তাৰা নবাঞ্ছয়, মহা অদ্ভুত হৰি গুণ নামময়। পৰম মঙ্গল কৃষ্ণ যশ, যাত পৰে আন নাহি ৰস, আনন্দ সমুদ্রে মজিয়া সিতো ৰহয়। ঘোষা।

একান্ত ভকত হলে বেদ পথ লঙ্ঘিব পাৰে, বৈষ্ণৱজনে বেদ লঙ্ঘিব নোৱাৰে, এই মাত্র প্রভেদ।

প্রঃ। তেওঁলোকৰ শ্রেষ্ঠ কোন জন?

উঃ। "সাধয়ে বেলন্ত শুনিয়ো মহাবল। যি কালত নৰে কৰ্ম্ম এড়িয়া সকল॥ মোতে দেহ অৰ্পি ভৈল কৃতাৰ্থ পৰম। নাই আন মোৰ প্রিয়তম তাক সম॥ যেন গৰু পৰত বিকিলে যিতোজনে। পোষণ পালন চিন্তা নকৰে সিজনে। সেহি মতে মোতে অৰ্পি দেহাদি সমস্ত।

হৈল যিতো জন হৈয়া অচিন্ত মনত। কেৱল কৰয় চিন্তা ভকতিক মাত্ৰ। হৈল সিতো মোৰ ইষ্ট কৰিবাৰ পাত্ৰ॥" ৰত্নাৱলী।

"স্মৰোক মাত্ৰ হৰি দিনে ৰাতি। ন ৰাছে ভকতি জাতি অজাতি॥ নন্দৰ ব্ৰজে যত গোপী জাক্‌। সদা বন্দো তান পদ ধূলাক। মুখে হৰি গীত দিনে ৰাতি। জগতকে কৰে পবিত্ৰ আতি। উদ্ধৱে বন্দিলে গোপীৰ ধূলি। আৰে মূঢ় জনে নিন্দে কি বুলি॥" কীৰ্ত্তন।

উদ্ধৱ শ্ৰেষ্ঠ মহন্ত, তথাপি তেওঁ গোপীৰ ভক্তি দেখি পদ ধূলা প্ৰাৰ্থনা কৰিছিল, এতেকে বৈষ্ণৱতকৈ ভকত শ্ৰেষ্ঠ।

প্ৰঃ। ভক্তিৰ আৰু মুক্তিৰ সম্বন্ধ কি?

উঃ। "কহিবোহোঁ ব্ৰহ্মা মোৰ ভক্তিৰ মহিমা। পঞ্চবিধ মুক্তিৰ তোমাত কৈবো সীমা॥ আমাক পূজিয়া মুক্তি সালোক্য পাৱয়। মোৰ পদ সেৱনত সাৰ্ষ্টি মিলয়। সামীপ্য পাৱয় মোক কৰিয়া স্মৰণ। স্বাৰূপ্য মুক্তিক পায় কৰিয়া বন্দন॥ মোহৰ নামক যিতো কৰয় কীৰ্ত্তন। সাযুজ্য মুক্তিও দিওঁ স্বৰূপ বচন॥ স্বৰ্গখণ্ড।

মুক্তিৰ সম্বন্ধ ভক্তিয়ে নাৰাখে। মুক্তি ভক্তিৰ পাছে পাছে ফুৰে।

যথা—"যদ্যপি মুকুতি পদ সুখ ৰূপ হয়। তথাপি ভকতি শ্ৰেষ্ঠ কহিলো নিশ্চয়। সেৱাৰ আনন্দ সুখ মুকতিত নাই। মুকুতিৰ সুখ সুখে ভকতিতে পায়। যেহেন শৰ্কৰা খণ্ড ভুঞ্জে যিতো জনে। তাৰ যেন ৰত স্বাদ সিসি মাত্ৰ জানে। সেহি মতে মোক্ষৰ মুকতি হৰিসেৱ। তাতে সে বেকত হস্ত যিতো কৰে সেৱ॥" ৰত্নাৱলী।

"লাভালাভ সুখ দুঃখ মনে নামানিব। লোভ মোহ কাম ক্ৰোধ সবাকো ত্যজিব। ইন্দ্ৰিয়ৰ প্ৰীতি সবে মোহোত অৰ্পিব। বেদ কৰ্ম্ম এড়ি মোৰ চৰণ চিন্তিব॥ সহনত হৈব যেন ধৰণী মণ্ডল। বোধত সমুদ্ৰ যেন ধৈৰ্য্যে মেৰু বল॥ মোক ভজিবেক মোৰ নাম নেদিবেক। আত্মা সম সমস্ত ভক্তক দেখিবেক। আনন্দত মজি মোক হৃদয়ে ভজয়। মনত স্মৰিয়া মোক সততে থাকয়॥ বাক্য গদগদ হাস্য ক্ৰন্দন কৰয়। বাতুল আকাৰ হয়া কতো হো নাচয়॥ নিত্য নৈমিত্তিক যত সবাকো ত্যজয়।



ইন্দ্ৰিয়ক দমি পৰম ব্ৰহ্মৰূপ হয়॥ মোতে কৰি শ্ৰেষ্ঠ সিতো জানিবা নিশ্চয়।" পদ্মপুৰাণ স্বৰ্গ খণ্ড।

এই ভক্তিয়ে মুক্তিলৈ অপেক্ষা নকৰে।

"হে কৃষ্ণ তযু পদমূলে একান্তে শৰণ যিতো লৱে কোন লাভ
ইতো এড়াই কালৰ ভয়।
তযু ভকতৰ সঙ্গ গোট, সৰ্ব্ব পুৰুষাৰ্থ ৰাখি শিৰে চৰিয়া
কৌতুকে অত্যন্ত নৃত্য কৰয়॥" ঘোষা।

একান্ত ভকতে মুক্তিৰ সম্বন্ধ নাৰাখে।

প্ৰঃ। পৰমেশ্বৰৰ বাহিৰে আনত ভক্তি সিদ্ধি পাৰেনে?

উঃ। পৰমেশ্বৰৰ বাহিৰে আনত ভক্তি সিদ্ধি নহয়।

যথা—"বৃত্ৰত হাৰিয়া যুদ্ধ যত দেৱগণ। স্তৱন্ত কৃষ্ণক স্তুতি পশিয়া শৰণ॥ ৰাগ দ্বেষাদি শূন্য তুমি পৰম নিৰ্ম্মল। নাহি অহঙ্কাৰ বিষয়ৰ কৌতূহল॥ নিজানন্দ লাভে পৰিপূৰ্ণ অতিশয়। গুণৰ উপাধি পৰিচ্ছেদ নকৰয়॥ হেনয় নিৰ্গুণ তুমি পৰম ঈশ্বৰ। মায়াৰ অধীন আমি দেৱতা অপৰ॥ তোমাক এড়িয়া লৱে আমাত শৰণ। তাত পৰে নাহিকে পৰম অজ্ঞজন॥ যেন কোনো জন কুকুৰৰ লাঞ্জে ধৰি। যাইবাক ইচ্ছয় অতি সমুদ্ৰক তৰি॥ তাৰ কদাচিত নোহে সমুদ্ৰ তৰণ। সেহি মতে লৈয়া অনীশ্বৰত শৰণ॥ নপাৰে তৰিতে ভৱাৰ্ণৱ সংসাৰক। এহিক্ষণে বৈলোহো দেৱৰ বচনক॥" ৰত্নাৱলী।

"তুমি সে কেৱল সত্য মিছা সবে আন। জানি জ্ঞানী জনে কৰে হৃদয়ত ধ্যান॥" কীৰ্ত্তন।

৮। প্ৰঃ। ভকত মহন্তসকলে হাঁহ ছাগলী পাৰ পুহিব পায়নে?

উঃ। ভকত মহন্তসকলে হাঁহ ছাগলী পাৰ পোহাত দোষ নাই, কেৱল উদৰৰ অৰ্থে হনন কৰা বা মাংস ক্ৰয় বিক্ৰয় কৰাহে দোষ। যথা "অহিংসাপৰমোধৰ্ম্মঃ।"

"নহস্যাদাগ্নিষং শ্ৰাদ্ধ ন চাদ্যা ধৰ্ম্ম তত্ত্ববিৎ। মুন্যন্নৈঃ স্যাৎ পৰাপ্ৰীতি যথা ন পশু হিংসয়া॥ নিতাদৃশং পৰো ধৰ্ম্ম নৃণাং সদ্ধৰ্ম্ম মিচ্ছতাং। ন্যাসো দণ্ডস্য ভূতেষু মনো বাক্ কায়জস্য যঃ॥"

ব্ৰাহ্মত মৎস্য মাংসাদি আমিষ দান নকৰিব, কৰ্ম্ম তত্ত্বজ্ঞ লোকক ভোজন কৰোৱাও উচিত নহয়। কাৰণ নিৰামিষত যিৰূপে প্ৰীতি হয় পশু হিংসাত সেইৰূপ নহয়, ভাল ধৰ্ম্ম ইচ্ছা কৰা লোকৰ পক্ষে কায়মনোবাক্যে প্ৰাণীগণৰ হিংসা নকৰাৰ সমান পৰম ধৰ্ম্ম নাই।" ভাগৱত, সপ্তম স্কন্ধ।

"মৃগ মীন মগ সাধু নৰে, মনৰ সন্তোষে তৃণ জলে, হিংসা শূন্য হয়া থাকয় জীৱন ধৰি। তথাপিতো ইতো তৃতয়ৰ, কৈবৰ্ত্ত পিশুন ব্যাধত্ৰয়, ইতো জগতত সিতো অকাৰণ বৈৰি॥" ঘোষা।

মতান্তৰ মতে পশু পক্ষী হনন কৰাত দোষ নাই, জীৱ অবধ্য।

যথা—নৈনং ছিন্দন্তি শস্ত্ৰানি নৈনং দহতি পাবকঃ। ন চৈনং ক্লেদয়ন্ত্যাপঃ নশোষয়তি মাৰুতঃ॥ অবিনাশি তু তদ্বিদ্ধি যেন সৰ্ব্ব মিদং ততম্। বিনাশ মব্যয়স্যাস্য ন কশ্চিৎ কৰ্ত্তুমৰ্হতি।" ভগবদ্গীতা।

যি জন এই দেহাত ব্যাপক হৈ আছে তেওঁৰ বিনাশ নাই, কোনো লোকৰ সেই অব্যয় পুৰুষ জীৱক বধ কৰিবৰ শকতি নাই।

অপিচ। যথা—"লোকে ব্যবায়ামিষ মদ্য সেবা নিত্যাস্তু জন্তোর্নহি তত্ৰ চোদনা। ব্যবস্থিতি স্তেষু বিবাহ যজ্ঞ সুৰাগ্ৰহৈ ৰাসু নিবৃত্তিৰিষ্টা॥" এই লোকত প্ৰায় প্ৰাণী মাত্ৰে স্ত্ৰীসঙ্গ মৎস্য মাংস ভক্ষণ সুৰাপান কৰিবলৈ ইচ্ছা কৰি থাকে, কিন্তু সেইতো বিধি নাই, কেৱল বিবাহিতা স্ত্ৰীত ঋতুকালত গমন, যজ্ঞ কাৰ্য্য পশু বধ, সৌত্ৰামণ্য কাৰ্য্যত সুৰাপান কৰা বেদত বিধি আছে, কিন্তু কামত যথেচ্ছা মতে হব নোৱাৰে। অৰ্থাৎ অবিবাহিতা অঋতু স্ত্ৰীত গমন, ৰসনা তৃপ্তিৰ নিমিত্তে পশু বধ, মাদকতাৰ নিমিত্তে মদ্যপান, এইবোৰ বেদ গৰ্হিত।

"হৰি ভকতক যিজনে হাসে। কুবুদ্ধি বেদৰ অৰ্থ বিনাশে॥ স্ত্ৰী মদ্য মাংস সেৱাৰ কথ। কৈ মৰে কৰে জন্মক বৃথা॥ বুজে বেদ অভিপ্ৰায় গূঢ়। কৰ্ম্মক কৰিবে নজানে মূঢ়॥ মূৰ্খ হয়া বোলে মঞি পণ্ডিত। নষ্ট কৰি কুৰে আনৰো চিত্ত॥ নিষ্কামে কৰিব সকলো কৰ্ম্ম। বিষ্ণুত অৰ্পিব সি সব ধৰ্ম্ম॥" কীৰ্ত্তন।

ভকত মহন্তসকলে হাঁহ ছাগলী পাৰ পুহিলে বা খালে, কৃষ্ণত একান্ত শৰণীয়া হৈ শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম আচৰিলে দোষী হব নোৱাৰে,



মাত্ৰ দুৰাচাৰ ভকত গণনীয় হব। যথা "মাধৱে বোলন্ত ধনঞ্জয়, মহা দুৰাচাৰো আতিশয়, আন দেৱ ত্যজি মোকেসে মাত্ৰ ভজয়। তাকেসে পৰম সাধু বুলি, নমিবা মনত সৰ্ব্বকলে, যিহেতু সম্যকে কৰিলে মোক নিশ্চয়॥ আমাৰ নিৰ্ম্মল ভকতিত, দুৰাচাৰো তৰে কোন চিত্ৰ, আমাক ভজিয়া চণ্ডালো তৰে সংসাৰ। স্ত্ৰী বৈশ্য শূদ্ৰ আদি যত, বিষয়ত মাত্ৰ সদা ৰত, মোক ভজি সুখে ইসবো হৈবে উদ্ধাৰ॥" ঘোষা।

প্ৰঃ। ভকত মহন্তে কোনো চাকৰি কৰি দৰ্ম্মহা খাব পায় নে? কোন বৃত্তিনো অবলম্বন কৰিব পায়?

উঃ। চাকৰি কৰিব নাপায়। যথা "মহন্ত সবৰ কেৰলে জীৱন হৰিৰ নাম মঙ্গল। হেন হৰি নাম নলৈয়া কলিত কৰিলে জন্ম বিফল॥"—ঘোষা।

ভকত মহন্তসবে হৰিৰ শ্ৰৱণ কীৰ্ত্তন, ধৰ্ম্মত থাকি যথোপলব্ধ বৃত্তিতে জীৱনধাৰণ কৰা বিধি। বিপক্ষে—বহু পৰিজন-বেষ্টিত সংসাৰ চলন উপায়ৰ নিমিত্তে যদি কোনো চাকৰি কৰি জীৱন ধাৰণ কৰে, তেওঁলোকেও যদি হৰি হৃদয়ত ধৰি শ্ৰৱণ কীৰ্ত্তন কৰি শৰণ ৰক্ষা কৰে, তেৱাসকলো ভকত মহন্ত। আগেয়ে কৈ যোৱা ঘোষা—"মাধৱে বোলন্ত ধনঞ্জয়" ইত্যাদি।

১ম। প্ৰঃ। কেৱলীয়া ভকত মানে কি?

উঃ। "সকলো প্ৰাণীক ঈশ্বৰ জ্ঞান কৰি শ্ৰৱণ কীৰ্ত্তনাদি ভক্তি আচৰি ইন্দ্ৰিয়ৰ কৰ্ম্ম মানে হৰিত সমৰ্পণ কৰি মনক নিয়মি থকাই কেৱলীয়া ভকত।"

যথা—"সৰ্ব্বভূতেষু যঃ পশ্যেদ্ভগবদ্ভাব মাত্মনঃ। ভূতানি ভগবত্যা অন্যেষ ভাগবতোত্তমঃ॥ ৰত্নাকৰ। সকলো প্ৰাণীকে ভগৱান বুলি নিজৰ আত্মাতে ঐক্যভাব কৰি দেখিব সেইজনেই উত্তম ভাগৱত ভকত কেৱলীয়া।

"আমাৰ একান্ত ভকতসকলে দেখে সমস্তকে মিছা। ভকতি বিৰোধী জানিয়া সাযুজ্য মোক্ষকো নকৰে ইচ্ছা॥ একে মোতে মাত্ৰ কায় বাক্য মনে ৰতি কৰে নিৰন্তৰে। এড়িয়া কামনা কৰয় অৰ্পণা যত কিছু চেষ্টা কৰে॥" ৰত্নাৱলী।

"একান্ত ভকত যাৰা হয়। কিছু অৰ্থ তাৰা নবাঞ্ছয়, মহা অদভুত হৰি

গুণ নামময়। পৰম মঙ্গল কৃষ্ণ যশ, যাত পৰে আন নাহি ৰস, পৰম আনন্দ সমুদ্ৰে মজি ৰহয়॥” ঘোষা।

প্ৰঃ। উদাসীন অৰ্থাৎ বিয়া নকৰাই গৃহস্থী নোহোৱাকে কেৱলীয়া বোলেনে কি ?

উঃ। নোবোলে। যথা কৰ্ম্মেন্দ্ৰিয়ানি সংযম্য য আস্তে মনসা স্মৰণ্। ইন্দ্ৰিয়াৰ্থান্ বিমূঢ়াত্মা মিথ্যাচাৰঃ স উচ্যতে॥

যি লোকে কৰ্ম্মেন্দ্ৰিয়ক সংযম নকৰি মনে মনে ইন্দ্ৰিয়ৰ বিষয়সকল মনত ভাবে সেইজন মনুষ্যাই কপট আচৰে মাত্ৰ। অৰ্থাৎ ইন্দ্ৰিয় সংযম কৰিলেহে কেৱলীয়া, নোৱাৰিলে নহয়। ইন্দ্ৰিয় উপস্থ মাত্ৰেই নহয়, ই পঞ্চবিধ, যথা—বাক্ পাণি পাদ পায়ু উপস্থ। (মেঢ্ৰ)।

প্ৰঃ। এই প্ৰথা দুজন মহাপুৰুষে অনুমোদন কৰিছিল নে ?

উঃ। নাই কৰা। মাধৱপুৰুষৰ ভাগিন ৰামচৰণক মাধৱপুৰুষৰ অন্ন বান্ধি দিবৰ নিমিত্তে ভকতসকলে অনুমোদন কৰে. কিন্তু মাধৱপুৰুষে ৰামচৰণৰ মন বুজিবৰ নিমিত্তে উদাসীন নহলে অন্ন বান্ধিব নোৱাৰে বুলি ভকতসকলৰ আগত কয়; তাতে ভকতসকলে ৰামচৰণক গৃহধৰ্ম্ম এৰিবলৈ অনুৰোধ কৰে, কিন্তু ৰামচৰণে উদাসীন হব নোৱাৰোঁ বুলি সেই কথা অমত কৰিলে। আন দিনে মাধৱপুৰুষে ৰামচৰণক অন্ন বান্ধি দিবলৈ আদেশ কৰিলে। তাতে ভকতসকলে সংশয় মনৰে মাধৱপুৰুষক সুধিলে “হে গুৰু ! আন থনে উদাসীন নহলে অন্ন বান্ধিব নোৱাৰে বুলি কোৱা আছিল, আজি দেখোন সেই কথা বিপৰীত ?” মাধৱদেৱে কয়, যথা “বোলন্ত মাধৱদেৱে শুনিয়োক সখি (নাৰায়ণঠাকুৰ)। যি বলিলো ৰামচৰণক চিত্ত লক্ষি। গৃহ বাস এড়োঁ বুলিলেক হন্তে যেবে। জগত থাকিবে নেদিলও হন্তে তেবে॥ যাতো ইতো গৃহবাস এড়োঁ হুবুলিল। শুদ্ধ চিত্ত জানি অন্ন বান্ধিবাক দিল॥ গৃহবাসে কিবা ভক্তি কৰিবে বাধয়। গৃহে থাকি ভকতি কৰিবে সুৱালয়॥ এড়ে গৃহবাস নতু হোৱয় বিৰক্তি। পাছত ধৰয় সিতো শূকৰৰ বৃত্তি॥”

দৈত্যাৰি ঠাকুৰকৃত গুৰু চৰিত্ৰ।



মহাপুৰুষৰ অনুমোদন থকা হলে ৰামচৰণ উদাসীন হলহঁতেন।

প্ৰঃ। কেৱলীয়া ভকতৰ লক্ষণ কি ?

উঃ। “কেৱলীয়া ভকত মানে কি” প্ৰশ্নত যি উত্তৰ দিয়া হৈছে সেই কেৱলীয়া ভকতৰ লক্ষণ।

৮। প্ৰঃ। সপ্তসুৰা কোন কেইবিধ ? ভকত মহন্তসকলে খাব পায় নে ?

উঃ। ভাং, কানি, মদ, ধপাত, নহক, পিয়াজ, ধুতুৰা, চাহ বা ভগা কাঁসৰ জল। ই প্ৰত্যক্ষ সুৰা, স্মৃতিশাস্ত্ৰবৰ্জ্জিত। আন অপ্ৰত্যক্ষ সুৰা যথা “মোমাৰাম মকাদম্বে হয়াগদলগুষ্মাৎ।” মোহ মায়া ৰাগ মদ মল কাম দম্ভ দ্বেষ এই সুৰা প্ৰধান ভকত মহন্ত লোকৰ বৰ্জ্জিত। এইবিলাক মত্ততা বশতঃ ভক্তি প্ৰতিবন্ধক।

আন পক্ষে ভকত মহন্তসকলে উক্ত সুৰা ব্যৱহাৰ কৰিয়ো যদি একান্ত শৰণ মনে সকলো কৰ্ম্মফল হৰিত অৰ্পণ কৰি শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম ধৰি থাকে তেন্তে দূষিত হব নোৱাৰে। যথা “সংসাৰৰ ইন্দ্ৰ কৃষ্ণ তাহান নামক যিতো অজ্ঞানতো চাণ্ডালে লৱয়। হেনসে পবিত্ৰ সিতো জানিবা যজ্ঞত আনি পাত্ৰ পাতিবৰ যোগ্য হয়।” ঘোষা।

চণ্ডালে কি নাথায়, তথাপি কীৰ্ত্তনৰ বলে শুদ্ধ।

“অপবিত্ৰ যিতো আতি পবিত্ৰ হোৱে বা যদি সমস্ত অৱস্থা আছে পায়। কমললোচন হৰি সুমৰে তাৰে সে শুদ্ধ বাহিৰে ভিতৰে হোৱে কায়॥” ঘোষা।

হৰি হৃদয়ত বন্ধা থাকিলে সেই লোকৰতে বাহিৰে ভিতৰে কায় শুদ্ধ থাকে।

৯। প্ৰঃ। শ্ৰীশ্ৰীশঙ্কৰদেৱে মূৰ্ত্তি পূজা কৰিছিল বা কৰাইছিল নে ?

উঃ। নিজে মূৰ্ত্তি পূজা কৰা নাই, ব্ৰাহ্মণৰদ্বাৰাই এবাৰ পূজা কৰোৱাৰ প্ৰমাণ আছে যথা—“ব্ৰাহ্মণ সবক মতাইলন্ত কৰি মান। আসিল হৰিষ মনে যতেক ব্ৰাহ্মণ॥ ভৈল মহোৎসৱ প্ৰাণ প্ৰতিষ্ঠা কৰিল। যাক যিবা দিব লাগে সমস্তকে দিল॥”

দৈত্যাৰি কৃত গুৰুচৰিত্ৰ।

প্ৰঃ। যদি নাই কৰা বা কাৰোৱা তেনেহলে বৰদোৱা দল কি অৰ্থে হৈছিল, আৰু তাতে মূৰ্ত্তি কৰপৰা আহিল ?

উঃ। শ্ৰীশ্ৰীশঙ্কৰদেৱে বস্তাকৰ শাস্ত্ৰত ভক্তি বিভাগ কৰাৰ প্ৰথম পূজা। এই পূজা কৰ্ম্মভোগী ব্ৰাহ্মণ সবৰ নিমিত্তে কথা হয়। বৰদোৱাৰ দলত মদনগোপাল নামে জগন্নাথ মূৰ্ত্তি স্থাপন কৰি পূজা ভক্তিকো লোকক দেখুৱায়। এই মূৰ্ত্তি কোবোলা বাঢ়ৈৰ দ্বাৰাই নিৰ্ম্মাণ কৰাই ব্ৰাহ্মণৰ দ্বাৰাই প্ৰাণ প্ৰতিষ্ঠা কৰোৱাই জগন্নাথ বুলি স্থাপন কৰিছিল। *

* বৰদোৱাত থাকোতে "এদিন শঙ্কৰদেৱে ৰাম ৰাম গুৰুক কলে দেৱমন্দিৰক কৰিবাৰ মন হৈল ॥ সকলোকে জান দিয়া আনা এতিক্ষণ। সবে মিলি মন্দিৰক কৰা নিৰূপণ ॥" এই মন্দিৰৰ ভেটি তুলিবলৈ মাটি খান্দোতে বিষ্ণুমূৰ্ত্তি এগৰ ওলাল। সেই মূৰ্ত্তিকে সেই মন্দিৰত প্ৰতিষ্ঠা কৰিবলৈ আয়োজন কৰা হল। কন্দলি মিশ্ৰ প্ৰভৃতি সকলো মুখ্য ব্ৰাহ্মণক আৰু ভূঞাসকলক সেই মূৰ্ত্তি প্ৰতিষ্ঠালৈ নিমন্ত্ৰণ কৰা হল। ৰাম ৰাম গুৰু পূজাৰিৰ আসনত বহিল। প্ৰতিমাৰ ওচৰতে শঙ্কৰদেৱ বহি আছে। ৰাম ৰাম গুৰুৱে ধ্যান কৰি মন্ত্ৰ পঢ়ি যি ফুল তুলসী ইত্যাদি প্ৰতিমাৰ ওপৰত দিছিল সেইবোৰ কেনেবাকৈ ততালিকে শঙ্কৰৰ মূৰত উঠিছিল হে।" ৰাম ৰাম গুৰু আদিয়ে ইয়াকে দেখি আচৰিত মানি শঙ্কৰক হৰি জ্ঞান কৰি তেওঁত শৰণ লবলৈ প্ৰাৰ্থনা কৰিলত,তেওঁ এবাৰ গোবৰি গোপী-উদ্ধৱ সংবাদ শাস্ত্ৰ ৰচনা কৰি, সেই শাস্ত্ৰৰ আগত তেওঁলোকক শৰণ দিয়ে। "আৰু এটা কথা মন কৰিব লগীয়া যে তেওঁ মন্দিৰ সজাই তাত মূৰ্ত্তি প্ৰতিষ্ঠা কৰিছিল যদিও, কিন্তু সেই মূৰ্ত্তিৰ আগত ব্ৰাহ্মণ সকলক শৰণ লগোৱা নাছিল। সেইদেখি সেই মূৰ্ত্তি প্ৰতিষ্ঠা আৰু উৎসৱৰ অভিপ্ৰায়, মূৰ্ত্তিপূজা প্ৰচাৰৰ বিপক্ষে হে যে আছিল, তাক বুজিবলৈ সহজ গলম নেলাগে। তেওঁ সকলোৰে মনোৰঞ্জন কৰি দেশ কাল পাত্ৰ সোঁতত চলাটোৰে স্পষ্টকৈ মূৰ্ত্তিপূজা কম লাগতিয়াল বা তাৰ অনাৱশ্যক হে পাকে-প্ৰকাৰে বুজাই দিলে।" কলিত সাধু আৰু ভগৱন্ত-ভক্ত হে পূজনীয়, কাঠৰ শিলৰ মূৰ্ত্তি নহয়, সেইবোৰক পূজিলে, সেই পূজা indirectly ভক্তলৈ হে যায়, তাৰ moral গূঢ়াৰ্থ এয়েই। ধুৱাহাটত মদনগোপাল মূৰ্ত্তি কোবোলা বাঢ়ৈৰ দ্বাৰাই সজাই, তাৰ পূজাতো সেই moral এই। বৰদোৱাত দৌল সাজি কল্পতৰৰ পূজা আৰম্ভৰো মানে এই। সেই পূজাতো প্ৰতিমাৰ গাত দিয়া ফাকু প্ৰতিমাৰ গাত নপৰি শঙ্কৰৰ গাত পৰিছিল। মদনগোপালৰ পূজাৰ পিছত শঙ্কৰদেৱে ব্ৰাহ্মণসকলক সুধিলে— "শঙ্কৰে বোলন্ত শুনা মিশ্ৰ আদি কৰি। সমুচিত কথা বোধে। কহা দয়া কৰি ॥ ঈশ্বৰৰ মূৰ্ত্তি ইটো হয় স্থিৰয়। তাক সেৱা কৰি গতি পাৱে নপাৱয়। ব্ৰাহ্মণসকলে উত্তৰ দিলে—"গীতা ভাগৱতে কহি আছন্ত ঈশ্বৰ ॥ মৃত্তিকা পাষাণ দেৱ জলো তীৰ্থ হয়। কিন্তু



যথা—"কাবলা বাঢ়ৈক মাতি বুলিলা শঙ্কৰ। সাজ জগন্নাথৰ প্ৰতিমা কচিকৰ। শঙ্কৰ দেৱৰ বাক্যে কাবলা বাঢ়ই। প্ৰতিমা সাজিবে লৈলা তেতিক্ষণে গই। আগে থাকি শঙ্কৰ আপনি দেন্ত দৃষ্টি। দেখন্তে প্ৰতিমা মনে মিলে মহাতুষ্টি ॥" দৈত্যাৰিকৃত গুৰু চৰিত্ৰ।

প্ৰঃ। যদি কৰিছিল বা কৰাইছিল তেনেহলে "হৰি ৰাম হৰি ৰাম এ মূল মন্ত্ৰ। কলিত নাহি তপ জপ যজ্ঞ যন্ত্ৰ ॥" এইফাকিৰ মানে কি ? ইয়াৰ লগত "মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ। এতেক মুকুতি পাইবা কহিলো স্বৰূপ ॥" ইয়াৰ সামঞ্জস্য কেনেকৈ হৈছে ?

উঃ। কলিত মূলমন্ত্ৰ হৰিৰাম নামেই, ইয়াৰ বাহিৰে দেৱ দেৱীৰ হ্ৰীং ক্লীং ইত্যাদি মন্ত্ৰ নাই। যথা—"একেখানি মাত্ৰ শাস্ত্ৰনিষ্ঠ, দৈৱকী নন্দনে কৈলা যাক, দেৱো একে মাত্ৰ দৈৱকী দেৱীৰ সুত। দৈৱকী পুত্ৰৰ পদসেৱা, কৰ্ম্মো এক এহিমানে মাত্ৰ, মন্ত্ৰো এক তান নাম মাত্ৰ অদভুত ॥" ঘোষা।

কলিত তপ ( যমনিয়মাদি ) জপ ( হ্ৰীং ক্লীং আদিমন্ত্ৰ জপ ) যজ্ঞ ( অগ্নিষ্টোম বাজপেয়াদি ) যন্ত্ৰ ( শালগ্ৰাম শিলাদি ) এইবিলাক নাই, মুখে মাত্ৰ ৰামকৃষ্ণ নাম উচ্চাৰণ কৰি হৃদয়ত হৰিৰ মূৰ্ত্তি ধাৰণ কৰিলেই মুকুতি পাব, ইয়াক স্বৰূপকৈ কলোঁ।

শ্ৰীশ্ৰীশঙ্কৰদেৱে কলিত তপ ( ইন্দ্ৰিয় সংযমন ) জপ ( মালাৰে হৰিনাম জপ ) যজ্ঞ ( গুৰুভক্ত পূজা ) যন্ত্ৰ ( তালখোলাদি কীৰ্ত্তনৰ যন্ত্ৰ) এইবিলাক মুকুতিৰ উপাদান বুলি ৰাখি থৈ গৈছে।

চিৰকালে সেৱি মুকুতি লভয় ॥ দৰশন মাত্ৰে শুদ্ধ কৰে সাধুচয়। দেৱতা তীৰ্থতো কৰি সাধু শ্ৰেষ্ঠ হয় ॥ শ্ৰৱণ কীৰ্ত্তন যদি ভকতি কৰয়। তাসম্বাক সাধু বুলি কহে বিপ্ৰচয় ॥" শঙ্কৰদেৱে এই কথা শুনি ব্ৰাহ্মণসকলক কলে "তোম্ভ এনে সাধুক তোমালোকে নিন্দা কৰা কিয় ?" ব্ৰাহ্মণসকলে স্বীকাৰ কৰিবলৈ বাধ্য হল যে "বেদাদি সকলো শাস্ত্ৰই কয় সাধুক নিন্দা কৰিলে নৰকগামী হব লাগে।" এই পূজাৰো উদ্দেশ্য যে প্ৰতিমাতকৈ সাধুক শ্ৰেষ্ঠ দেখুৱাটো, আৰু প্ৰতিমাপূজক সাধুনিন্দক ব্ৰাহ্মণৰ দৰ্পচূৰ্ণ কৰাটো। শঙ্কৰদেৱে এই দৰে তেওঁৰ উদ্দেশ্য সিদ্ধি কৰি ললে। ইয়াৰ পিছত তেওঁ ক'ত মূৰ্ত্তি স্থাপনা আৰু পূজা কৰোৱাইছিল ? নাইকৰোৱা ; কিয় কৰাব ? তেওঁৰ তো প্ৰচলিত ধৰ্ম্মৰ সেইটো প্ৰণালী অকো উদ্দেশ্য নহয়। সম্পাদক।

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মনোনীত তপ জপ যন্ত্ৰ এই তিনটাৰ কথা নকওঁ, সকলোৰে জনা আছে, মাত্ৰ ভক্ত গুৰুৰ পূজা যজ্ঞৰ কথাফাকিকে চৰিত্ৰৰপৰা দেখুৱা যাওক। যথা—"এক বুঢ়ী শুনি তোমাধৈৰ কথা আধটকি গোট দিল। তাহাক ভগায়া বেসাতি কৰিয়া ভোজন আজি কৰিল॥ শঙ্কৰে বোলন্ত কোটি কোটি যজ্ঞ কৰিলা বুঢ়ী নিশ্চয়।" গুৰু চৰিত্ৰ।

হৰিভক্তক ভুঞ্জালে যজ্ঞৰ ফল পোৱা যায় ইয়াকে শ্ৰীশ্ৰীশঙ্কৰদেৱে দেখুৱালে।

১০। প্ৰঃ। শ্ৰীশ্ৰীশঙ্কৰদেৱে প্ৰেমভক্তি শিক্ষা দিছিল নে? সখ্য বাৎসল্য দাস্য আৰু প্ৰেম বা মধুৰ এই চাৰিবিধৰ কোন বিধ ভক্তি মহাপুৰুষৰ অনুমোদিত? শ্ৰৱণ কীৰ্ত্তন এই চাৰিবিধৰ অন্তৰ্গত নে বেলেগ?

উঃ। শ্ৰীশ্ৰীশঙ্কৰদেৱে প্ৰেমভক্তিৰ মাহাত্ম্য দেখুৱাইছে। সখ্য বাৎসল্য দাস্য আৰু প্ৰেম বা মধুৰ এই চাৰিবিধ ভক্তি মহাপুৰুষৰ অনুমোদিত।

প্ৰেমত ৰাম ৰাম গুৰু, সখ্যত নাৰায়ণ ঠাকুৰ (মাধৱ দেৱৰ সখ্য) বাৎসল্যত ৰামচৰণ ঠাকুৰ (মাধৱদেৱৰ বাৎসল্য) দাস্যত বনবড়া বৰুৱাদি (শ্ৰীশ্ৰীশঙ্কৰদেৱৰ) এইসকল ভক্তই ভক্তি ধৰিছিল।

১১। ভাটী যোৱা মানে একো নুবুজিলোঁ। কাৰণ ৺শ্ৰীবহ্লা পদ্ম আতা উজানৰপৰা ভাটী গৈ ৺মাধৱদেৱৰ ঠাইত ভক্তি বুজিছে।

৺শ্ৰীবংশীগোপাল দেৱো যদুমণিৰ সহিত দেবেৰাপাৰ উজানৰপৰা ভাটী ৺মাধৱদেৱৰ মঠত ভক্তি বুজিছে। কালজাৰ ৺গোপাল আতাও নাজিৰা উজনৰপৰা ভাটী গৈ ৺মাধৱ পুৰুষত ভক্তি বুজিছে। আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ মাধৱদেৱো উজনৰপৰা ভটিয়াই গৈ বেহাৰত বৈকুণ্ঠ প্ৰয়াণ কৰিছে। তেৰাৰ নাতি পুৰুষোত্তম ঠাকুৰসকলো ভটিয়াই গৈ হে বৈকুণ্ঠ প্ৰয়াণ কৰিছে॥

এই হেতুকে ভাটী যোৱা কোন সম্প্ৰদায়ক বুজাই জানিব পৰা নগল। কিবা ভাটী যোৱা অৰ্থ থাকিলে প্ৰশ্নকৰ্ত্তাই বুজাব পাৰে।



১২। প্ৰঃ। মহাপুৰুষে মুছলমানক শৰণ দিছিল নে? যদি দিছিল তেওঁবিলাকক কোন প্ৰকাৰে ৰাখিছিল? অন্যান্য ভকতৰ শাৰীত তেওঁবিলাকে ঠাই পাইছিল নে? মহাপুৰুষীয়া পন্থত জাতিভেদ কিমান প্ৰবল?

উঃ। শ্ৰীশ্ৰীশঙ্কৰদেৱে চতুৰ্ভুজ মুৰ্ত্তি দেখাই চান্দসাই যৱনক শৰণ দিছিল। যথা—"মহাকৃপা কৰি নাম ধৰ্ম্ম দিলা দান। নাহিকে দয়ালু শঙ্কৰত বিনে আন॥ চান্দসাইয়ো জাতি মিত্ৰ ইষ্টক ত্যজিল। ভকত সবৰ সঙ্গে তহিতে ৰহিল॥ আপুনি তহিতে বসি নামক লৱয়। হৰিকথা কষ্টে শ্ৰদ্ধা কৰিয়া শুনয়॥ ৰামানন্দ কৃত গুৰুচৰিত্ৰ।

মুছলমানে ভক্তৰ শাৰীত ঠাই পাইছিল।

মহাপুৰুষে বেদ ৰক্ষা কৰি যদিও বাহিৰত জাতিভেদ ৰাখিছিল, তথাপি ভক্তিত জাতিভেদ ৰথা নাই।

১৩। প্ৰঃ। জীৱ থকা প্ৰাণীৰ জীৱ গলেই মৰা শ নহয় নে? যদি হয় তেনেহলে নীচ জাতিয়ে ছোৱা মৰা-শ উচ্চ জাতিৰ পক্ষে অপবিত্ৰ নহব নে? যদি হয় তেনেহলে নীচ জাতিয়ে মৰা মাছ পহ উচ্চ জাতিয়ে কিয় ব্যৱহাৰ কৰে?

উঃ। প্ৰাণী মাত্ৰকে মৰা শ নহয়, জীৱই জীৱতে বাস কৰে, জীৱই জীৱকেই খাই প্ৰাণ ধাৰণ কৰে। সপ্তম স্কন্ধ ভাগৱতত নাৰদ যুধিষ্ঠিৰ সম্বাদত, জীৱ জীৱতে বাস কৰা জীৱই জীৱকে খোৱা বচন আছে।

শ্ৰীশ্ৰীশঙ্কৰদেৱ শ্ৰীশ্ৰীমাধৱদেৱে মৎস্য মাংস ভোজন কৰি গৈছে, মৰা শ বুলি ত্যাগ কৰি কোনো ভক্ত লোকক এৰুৱা নাই।

যদি জীৱ গলেই মৰা শ হয় তেন্তে মহা বৈষ্ণৱ আৰু বিদগ্ধ পণ্ডিত যাঁৰা সবে নো কিয় মৎস্য মাংস ভোজন কৰিছিল!

এতেকে এই প্ৰশ্ন মহাপুৰুষসকলৰ মতানুযায়ী নহয়।

১৪। প্ৰঃ। তামোল নোখোৱা কিয় বোলে? যদি ই কোনো সম্প্ৰদায় বুজায় সেই সম্প্ৰদায় মতে বৰ্ত্তমানত কোন প্ৰবৰ্ত্তিছে? এই পন্থ কোনে প্ৰচাৰ কৰিছিল?

উঃ। এই সম্প্ৰদায় কোনে প্ৰচাৰ কৰিছিল, ইয়াৰ কথা কোনো শাস্ত্ৰত উল্লেখ নাই ; ছুজনা গুৰুৰ অনুমোদিত নহয় ॥

তামোল নোখোৱা কাৰণ বুজিব পৰা নহল বৰ্ত্তমানত কোন প্ৰৱৰ্ত্তিছে তাকো কব নোৱাৰোঁ।

---

## প্ৰকৃত সুখ কত ?

—o—

সুখ সুখ বুলি বিচাৰি ফুৰিলোঁ কত নো প্ৰকৃত সুখ,
এনি তেনি চালোঁ ই ছুটা চকুৰে নেদেখিলোঁ তাৰ মুখ।
দেখা পালোঁ যত ৰজা মহাৰাজ আৰু জগতৰ প্ৰজা
সকলোকে জানা বিশ্ব নিয়ন্তাই একেটি গঢ়েৰে সজা।
দেখি বা যিঠাইত ধনে ধানে পূৰ্ণ অচলা লক্ষীৰ বাস,
সিজনেও চোৱা পুত্ৰ কামনাত কৰিছে হাই হুতাশ।
আছে যিজনৰ লৰা ছোৱালীৰে পূৰ্ণ হই ঘৰখনি,
খাবলই নেপাই কান্দিছে লৰাই মাকৰ আঁচল টানি।
আৰু যদি ভাবা ইজনেই সুখী নাই তাৰ একো দুখ,
দেখিবা সিজনে মূৰ্খ লৰাবুলি দিনে ৰাতি কৰে শোক।
আছে যি জনৰ ভাৰ্য্যা পুত্ৰে ধনে ঘৰখনি পূৰ্ণ কৰি,
সিজনেও চোৱা চিৰৰোগী হই আছে যাতনাত পৰি।
যদি বোলা তুমি সুখী সেই জন পুত্ৰ গুণবান অতি,
তাতো দেখা পাবা মুখৰা ভাৰ্য্যাই নিদিয়ে অলপো শান্তি।
যদি বোলা তুমি সুখী সেই জন যিজন ৰাজ্যৰ ৰজা,
সিজনৰো হাঁয় আছে অন্তৰত ওপুত দুখৰ বোজা।
পবিত্ৰ প্ৰেমত পাতিছে বিষিনি ভাৰ্য্যা কুচৰিত্ৰা হই,
তিল তিল কাৰ দহিছে হৃদয় জীৱন কৰিছে ক্ষয়।
আছে ছুটি প্ৰাণী সুখ বুলি মানি ভিক্ষাৰে কৰি আহাৰ,
থাব থাকিবৰ ঠাই অশ্বত্থ গছ-তলে কৰি সাৰ।



তাকো চোৱা বাক সহিব নোৱাৰি এটি হৰি নিলে কালে,
শূন্য হিয়াখনি লই অভাগিনী দুখতে দিন কটালে।
ভাবিলে যি জনে নিৰিচাৰোঁ ধন, এয়ে মোৰ বহু সুখ ;—
'পেটে ভাতে খাই কটাম জীৱন চাই পত্নী পুত্ৰ মুখ'।
তাকো নসহিলে ডকা দিলে কালে হঠাতে ভুমুকি মাৰি,
পিতৃ মাতৃ বুকু শুদা কৰি থই নিলে পুত্ৰটিকো হৰি।
পতি পত্নীহালি দুয়োটিয়ে মিলি কৰিছিল মনে সাৰ,
সংসাৰৰ আন সুখ নিৰিচাৰোঁ এয়েহে সুখ আমাৰ।
( কিন্তু ),
সহিব নোৱাৰি নিঠুৰ বিধিয়ে তাৰো যে এটিক হাঁয়,
প্ৰেমৰ সজাটি ভাঙি আচম্বিতে লই গ'ল আঁতৰাই।
সুখ আছে ক'ত নেপালোঁ বিচাৰি গোটেই জগত ঘূৰি,
সংসাৰী জনৰ সুখ নেদেখিলোঁ খালোঁ মাথোঁ হাবাথুৰি।
দেখিছা যিজনে বাসনা তিয়াগি এক চিত্তে কৰি ধ্যান,
একাগ্ৰতাভাৱে বিভুচৰণত সঁপি দিছে মন প্ৰাণ।
সংসাৰৰ জ্বালা যন্ত্ৰণাই যাৰ নোৱাৰে ভুলাব মন,
বিপদসঙ্কুল নশ্বৰ ধৰাত পৰম সুখী সিজন।
তেনে হলে ভ্ৰান্ত ! চোৱা চকু মেলি হিয়া জুৰ হক দেখি,
ঈশ্বৰ প্ৰেমত প্ৰেমিক যিজন প্ৰকৃত তেৱেঁই সুখী।

শ্ৰীধৰ্ম্মেশ্বৰী দেৱী।
গৌহাটী,

---

## জুগুলীৰ সম্পাদকৰ শৰাই ।

—o—

কালি ৰূপাৰৰ ৰৰৰুৱাই যুদ্ধৰ খাৰনৈ ০০,০০০ টকা দি আসামবাসীৰ দিয়া টকাৰ লেখ বঢ়াই দিলে। ইমান টকা দিও বৰৰুৱাই এটা গপকে মৰা নাই !

ঘা ভাল কৰিবৰ উপায়।—শলাল গোঁহায়ে পৰ্য্যই চিকাৰ কৰিবলৈ যাওঁতে তেওঁক দাঁতাল বৰাই থুচি গাৰ কেইঠাইতো ঘা লগালে। তেওঁক আসাম-বেঙ্গল বেলত তুলি আস্পতাললৈ লৈ যাওঁতে, কেনেবাকৈ বেলৰ গাড়ীৰপৰা বাটতে তেওঁ বাগৰি পৰিল। পিছ দিনা তেওঁক বেলৰ লাইনৰ ওচৰত without injury অৰ্থাৎ ঘা নলগা বা হাত ভৰি নভগা অৱস্থাত পোৱা গল।

***

উকিল ধনীৰাম বৰুৱাৰ গা বেয়া দেখি ডাক্তৰে তেওঁক "হাওৱা" পৰিবৰ্ত্তনৰ নিমিত্তে watering place-অলৈ অৰ্থাৎ ভাল পানী থকা ঠাইলৈ যাবলৈ কলে। তেওঁ বেলৰ কেবেয়া ভৰিব লাগে দেখি ভাবৈ নগৈ, ওচৰতে থকা নেপালী গুৱাল হৰকে বাঘৰ ঘৰলৈ দিনৌ এবেলাকৈ যায়।

***

ঘিউৰ বেচ সৰহ দেখি সকলোৱে কিনি খাবলৈ টান পায়। সেই নিমিত্তে কলিকতাৰ বৈজ্ঞানিক ডাক্তৰ এজনে সস্তাত ঘিউৰ substitute অৰ্থাৎ প্ৰকৃত ঘিউৰ সলনি এবিধ সস্তা ঘিউ উলিয়াইছে। তাৰ আগেয়ে তেওঁক anticipate কৰি কলিকতাৰ অনেক মাৰোৱাৰী ঘিউ-মহাজনে ঘিউৰ বদলি যে উলিয়াই থৈছে, তাৰ জু তেওঁ নেপায় নে?

***

কমিচনৰ কৰ্ণেল গৰ্ডনৰ চিত্ৰ-পট কৰ্জ্জন হলত থবা সম্পৰ্কে "বন্তিত"লেখিছেঃ—জেনেৰেল চেক্ৰেটৰিয়ে পঢ়া "ৰিপোৰ্টত কোৱা মতে জনদিয়েক মাথোন মেম্বৰ আৰু বাজে মানুহৰ ধনেৰেহে যদি সেই-পট স্থাপন কৰা হৈছিল, তেন্তে তাত আসাম এচোচিয়েচনৰ নাম লবৰ কি সকাম আছিল?" আমিও কওঁ হয়,—কি সকাম আছিল? অৱশ্যে এটা কথা:—সকলো বস্তুৰে বা কাৰ্য্যৰে সংসাৰত ওলোটাটো থকা নিয়ম। যেনে পোহৰৰ বিপৰীত এন্ধাৰ, ধনীৰ বিপৰীত দুখীয়া, বৰৰ বিপৰীত বৰধুণ, ইত্যাদি। ওপৰত কোৱা কাৰ্য্যবো বিপৰীতটো থকা অনেকে জানে; যেনে—তাহানি ৰাজহৱাকৈ ধন তুলি এঠাইত এখন ছাপাখানা আৰু কাকত কৰা হৈছিল। এজনক সেই কাকত আৰু ছাপাখানা চলাবলৈ বাইজে দিলে। পিছে লাহে লাহে সেই



ৰাজহৱা কাকত আৰু ছাপাখানাখনৰ সেইজনেই মালিক নাম লৈ গজ্‌গজীয়া দি বহিবৰ সকাম পৰিল। Logic দুটা;—inductive আৰু deductive. দুইটা যুক্তিযুক্ত। এতেকে এনে কাৰ্য্যত কোনেও আসোঁৱাহ দেখাৰ সকাম নাই।

***

এখন অভিধানৰ বিষয়ে বন্তিত লেখিছে:—"এই অভিধানৰ ভাৰ পোন প্ৰথমতে অনাৰেবোল চাৰ আৰ্চ্চেল আৰ্ল আৰু মিঃ পদ্মনাথ বৰুৱাৰ মূৰত থেলোৱাটো নহয় জানো? এইবাৰে আসাম এচোচিয়েচনৰ শলাগৰ শৰাইখন প্ৰকৃত পক্ষে কোনে পাব লাগে।" আমি কওঁ, যাৰে মূৰত পোনতে থেলাইছিল, তেৱেঁই পাব লাগে? এই "পোনতে" থেলোৱাৰো আগেয়ে অৰ্থাৎ সৰ্ব্বপোনতে বৰবৰুৱাৰ মূৰতো থেলাইছিল। এতেকে সেই শৰাই বৰবৰুৱাৰ হে প্ৰাপ্য। যদি আসাম-এচোচিয়নে কয় যে "কাৰ মূৰত কেতিয়া কি থেলায় আমি কেনেকৈ জানিম? আমি তো সৰবজ্ঞান নহওঁ।" আমি কওঁ এনে শৰাইৰ শলাগ আগ বঢ়োৱা বিষয়ত জনা উচিত, নহলে নো হেৰা তুমি কিহৰ আসাম-এচোচিয়েচন একা? লোকৰ মনত থেলোৱা কথা নজনা মানুহে আকৌ এচোচিয়েচন হৰলৈ যোৱাঁ কিয়?

***

তেজপুৰৰ পানীৰ কলৰ বিষয়েও বন্তিয়ে লিখিছে—"তেজপুৰৰ পানীকলৰ কাম সমাধা কৰি কলকাৰখানা মিউনিচিপেলিটীক চমজাই দি কন্‌ট্ৰাক্তৰ চাহাব গুচি গলগৈ; ইফালে কেইবাটাও পটীত পানীকলৰ ট্যাপে এতিয়াও ইটাগুৰীয়া দুৰিত পানী বটিয়াবই লাগিছে; বিশেষকৈ টাগত দিয়া ট্যাপত কেতিয়াবা কাচিৎ হে নিৰ্ম্মল পানী ওলায়।"

"পদ্মকুটিৰৰ" পৰা নিৰ্ম্মল পানী বটিয়াই উলিয়াব পৰা কৰি নিদিয়াটো কণ্ট্ৰেক্টৰৰ গাত নিশ্চয় দায়। তেওঁ উভতি গৈ অন্ততঃ পহুম-জুপুৰীটোৰ গাত বন্ধ খোৱা লেলাই গুচাই, দৰকাৰ হলে পৰিষ্কাৰ কৰিও, তাৰপৰা পহুম-গোন্ধীয়া ফটফটীয়া পানী বটিৱাই দিব পৰা কৰি আহিবলৈ তেওঁক বাধ্য কৰা উচিত।

***

এজন ঠিকাদাৰে অলপতে এটা পকিঘৰ সাজিবলৈ মিউনিচিপেলিটিৰপৰা

ঠিকা লৈ, ঘৰটো বেয়া ইটা চুণ চুৰকি আদিৰে সাজি, বিল দি ঘৰৰ বেচ নিলে। বাৰিষা যেতিয়া চালেদি উকৰি ঘৰখনৰ পানী পৰিবলৈ ধৰিলে তেতিয়া কণ্ট্ৰেক্টৰজনক মতাই আনি কিয় পানী পৰিছে বুলি কৈফিয়ৎ খোজাত, কণ্ট্ৰেক্টৰে উত্তৰ দিলে—"পানী নপৰি, গাখীৰ পৰিব লাগে নে কি?"

***

বিখ্যাত কেশৱচন্দ্ৰ সেনৰ ঘৰটোৰ নাম "কমল-কুটিৰ"। এদিন মণ্ডলীয়া মানুহ এটাই "চাৰকিউলাৰবোৰ্ড" নামৰ চৰ্কাৰী বাটত; "কমল কুটিৰৰ" পৰা ছুৰা-খোৱা পানী বৈ অহা লোৰৰ কাষত থিয় হৈ থাকি কৈছিল—"কমলবোৰ খোপা বান্ধি এঘৰকৈ একে ঠাইতে থাকিলে তাৰপৰা এনে গোন্ধৰ পানী ওলাই বুলি আগেয়ে নাজানিছিলোঁ।"

***

জোৰহাট ষ্টেট্ ৰেলত দুৰ্ঘটনা! সিদিনা এই ৰেল ককিলামুখলৈ যাওঁতে বাটতে পিছৰ ব্ৰেক্‌ভানৰ চকৰিত এটা গৰু কটা গল। গৰুটো ৰেলগাড়ীখনৰ পিছে পিছে ৰেলৰ লাইনত গৈ আছিল। গাৰ্ড থকা ব্ৰেকভানত এখন কাউ-কেচৰ (cow-catcher) দিলে এনে ভৱিষ্যত বিপদৰ হাত সাৰিব পৰা যাব।

---

## বৰবৰুৱাৰ চিঠি।

(৫)

—o—

তুমি সিকেইটা জৰুৰী কথাৰ উত্তৰ দিবলৈ কৈছা, সেইকেইটা যদিও জৰুৰী, কিন্তু তোমাৰপৰা উত্তৰ পাবলৈ মোৰ এটা তাতোকৈ জৰুৰী কথা ওলাইছে; সেইটোৰ উত্তৰ তোমাৰপৰা পাই নিঃচিন্ত হৈ জিৰাই লৈহে তোমাৰ বোৰৰ উত্তৰ দিম বুলি থিৰ কৰিছোঁ। মোক কোৱাঁচোন, তুমি ভূত মানা নে নেমানা, আৰু ভূত আছে বুলি বিশ্বাস কৰা নে নকৰা? এজনে মোক এতিয়াই এই প্ৰশ্ন কৰিছিল; মই ইয়াৰ যি উত্তৰ দিলোঁ, তোমাক কম এতিয়া; কিন্তু তথাপি তেওঁৰ সন্তোষ নোহোৱা দেখি, মই প্ৰশ্ন কৰোঁ-



তাজনক কৰবলৈ বাধ্য হলোঁ, যে 'তেওঁক' বাৰু মই সোধোঁ, 'তেওঁ' মানো বুলিলে মোৰো মনা হব, আৰু "তেওঁ" আছে বুলিলে মইও আছে বোলা হব!

মই তেওঁক কলোঁ—ভূত মানো; কাৰণ ভূত নামানিলে মোক বলিয়া বুলিব লাগিব। বৰ্ত্তমান মানিলেই ভূত মানিব লাগিব, ভৱিষ্যৎ মানিব লাগিব। কাৰণ, মানুহটো বুলিলেই তিনটা ভাই-ককাইৰ লেথ ওলায়। কোন এনে মূৰ্খ আছে যে, এনে ওলাই থকা কথা অস্বীকাৰ কৰিব। কিন্তু ভূত যে আছে অৰ্থাৎ বৰ্ত্তমান, এনে বিৰুদ্ধধৰ্ম্মী কথা মানো কেনেকৈ? মানুহ আছিল, মানুহ মৰিল, সেই মানুহ ভূত অৰ্থাৎ গত হল, তাৰ বৰ্ত্তমান অস্তিত্ব স্বীকাৰ কৰাটো contradictory অৰ্থাৎ বিৰুদ্ধবাদী কথা। এতেকে পতঞ্জলিয়ে তেওঁৰ দৰ্শনত তৰ্ক কৰি কৰি শেহত যেনেকৈ কৈছিল যে "ঈশ্বৰাসিদ্ধেঃ" অৰ্থাৎ ঈশ্বৰ যে আছে এইটো অসিদ্ধ অৰ্থাৎ প্ৰমাণ নোহোৱা কথা, সেই দৰে ভূত যে আছে এইটো প্ৰমাণ নোহোৱা কথা।

প্ৰশ্নকাৰকে কিন্তু মোৰ তৰ্কলৈ কাণ নকৰি, তেওঁৰ জীৱনত চাক্ষুস হোৱা এটা ভূতৰ বিৱৰণ কলে। তেওঁ ভাল মানুহ, মিছা কথা কোৱা মানুহ নহয়, আৰু ভুল কৰিবৰও মানুহ নহয়, অৰ্থাৎ তেওঁ "মুই মিছে কইবাৰ লোক নাৰে, কৰ্বিনিক ভুল" শ্ৰেণীৰ মানুহ; সেইদেখি, মই দোধোৰ-মোধোৰত পৰিলোঁ।

তুমি মোৰ লগত থকা "ভজা" লগুৱাৰ কথা সুধিছা. সি কি কৰে? তাৰ আগেয়ে, তাৰ বিষয়ে আজি আবেলি তিনি বজাত মই যি discovery আবিষ্কাৰ কৰিলোঁ তাক কওঁ শুনা। তাৰ কামবোৰৰ গঢ়-গতি দেখি সদায় মোৰ মনত খেলাইছিল, যে তাৰ নামটো misnomer অৰ্থাৎ তাৰ ভুল নামকৰণ হৈছে। ভজা মানে ভাজ খোৱা, fried, কিন্তু সি মাছকে ভাজক বা ভাতকে ৰান্ধক, সি তাৰ হাতে ত্ৰিশ দিনৰ ভিতৰত তিন দিনহে সিজে বা ভাজ খায়। সেইদেখি তাক মই মুখেৰে ভজা বুলি মাতিলেও সেই মুহূৰ্ত্ততে পেটে পেটে আভজা বোলোঁ। কিন্তু আজি কোনবাই ইয়াত তাক মতা শুনিলোঁ, "অ ভজহৰি!"—অ হৰি! ক'ত ভজহৰি, আৰ ক'ত ভজা! মোৰ গোটেইটো theory "থিওৰি" অৰ্থাৎ অনুমানৰ সিদ্ধান্ত উলটিল। এতিয়া দেখিছোঁ, তাৰ আভজা কামবোৰ "ভজহৰি" নামৰ ফল; তাত

contradictory proposition অৰ্থাৎ বিৰুদ্ধধৰ্ম্মাৱলম্বী কথা একো নাই। বেচেৰাই আমাৰ ভিতৰৰ এশ-এটাৰ দৰে হ'বিক ভঙ্গি থাকোতে কাম-কাজ পাহৰে, ফলত ভাত এধাসিজা হৈ থাকে ; অথবা আমাৰ কাজুৱা business-men সকলৰ দৰে কাম-কাজ ভাবি থাকোঁতেই সৰ্ব্বদুঃখহাৰী ইহকাল পৰকালৰ প্ৰকৃত সহায় হৰিক পাহৰে। এটা কথা কিন্তু মই মন কৰিছোঁ, আজিকালি ভজাৰ সেই তেজ, সেই ফি-ফিয়নি আৰু নাই। তাত বি দিনা বেচেৰাই নৰসুন্দৰৰ হাতত লাঞ্ছিত হৈছিল, সেই দিনাৰপৰা ভজা তপত শুচি চেচাপানী হল। আজি মই সেইদেখি কব পাৰোঁ "কিলৰ নাম ভজাজী", অথবা "ভয়ত ভগৱন্ত পলায়, কিলতৈ আমাৰ পূৰ্ণিমাৰ চন্দ্ৰ যেন ছাই সনা মুখ ভজহৰি লগুদাও ভৰায়।"

দৰৰ সমুখৰ বৰ গছবোৰক, ৰাতি পুৱাই-পুৱাই আহোঁতেই যে কুলিবোৰে মাতে, কি কম, গোটেইখন কঁপাই দিয়ে। কুলিয়ে এনে নিলজ, অথচ দ-কৈ বহা মাত পালে কৰপৰা আৰু কেনেকৈ মই কব নোৱাৰোঁ। ঠিক বলিয়াটোৰ দৰে কুলিবোৰে মাতে ; অথচ মাতটো সুৰীয়াবো আওসুৰীয়া। সঁচা কথা কবলৈ, গলে ইয়াত ধূলি আৰু কুলিৰ বৰ উপদ্ৰৱ। ধূলিৰ দৌৰাত্ম্যত বাটত খোজ কাঢ়িব নোৱাৰি, কুলিৰ দৌৰাত্ম্যত পুৱা পাটীত পৰি থাকিব নোৱাৰি ; দুইটাই মানুহক বলিয়া কৰিহে এৰে। ধূলি-কুলিৰ কবি এজোৰা যদি কোনবাই ইয়ালৈ পঠিয়াই দিব পাৰে, তেন্তে তেওঁলোকৰ হতুৱাই এটা বান বনবাসৰ যাত্ৰা" বা 'পালা' প্ৰস্তুত কৰাব পাৰোঁ। ধৰা, ধূলিয়ে প্ৰথমতে গান ধৰিব——

"ওৰে কৃপা পিসি * হবি বিদেশবাসী,
কে আমাৰে ডাকবে ধূলি ব'লে ?"

কুলিয়ে গাব — "পটলুং পৰে যাবি পিসে তুই বনে,
একি সয়ৰে কুলিৰ প্ৰাণে ?
মণিহাৰা ফণীৰ মত হব পিসে তুই বনে গেলে ?"

---

* কোনো কোনোৱে, ইয়াত এই পাতিৰ খোজা যাত্ৰাৰ অধিকাৰীক "কৃপা পিসে" অৰ্থাৎ কৃপাবৰ পেহা বুলি মাতে। ওপৰৰ গান ফাকিৰ "পিসিৰ" "স"ৰ ওপৰৰ আৰ্দ্ৰপ্ৰয়োগ।



পশ্চিমৰ এটাইবোৰ চহৰতে দেখিছোঁ ধূলিৰ বৰ প্ৰাদুৰ্ভাৱ। ইয়াৰ কাৰণ কি ? কোনোৱে কয় ইয়াৰ মাটি শুকান, খৰখৰীয়া, সেইবাবে। তাৰো তো মাটি ইয়াৰ নিচিনা শুকান নহয়, তেন্তে তাতো ইয়াৰ নিচিনা ধূলি দেখোন ? অৱশ্যে তাত wheeled trafic অৰ্থাৎ মালৰ গৰুগাড়ী দৰকৈ চলে দেখি, আৰু মিউনিচিপেলিটীয়ে বাটত পানী দিয়াত কিৰ্পিণালি কৰে দেখি তাৰ যে তেনে অৱস্থা, সেইটো বুজিব পাৰি। মোৰ মনেৰে ভাৰত প্ৰাচীন দেশ ; তাহানি মনুৰ দিনৰেপৰা ইমান মানুহে, ঘোৰাই, গৰুৱে এই ভাৰতবৰ্ষখন খচকি আছে, খচকাত ওপৰৰ তৰপ ভাৰতবৰ্ষ একেবাৰেই ধূলি হৈ গৈছে। মোৰ ওচৰতে থকা ধূলি এটাই এতিয়াই কোৱা যেন শুনিলোঁ, পেহা "তোমাৰ কথা ভুল, আমি ধূলিবৃন্দ মনুৰ দিনৰেপৰা উপজি মৰি ধূলি হৈ থকা মানুহ হে।" এনেতে গছৰ ডালত থকা কুলি এটাইও সেয়া দীঘলকৈ শলাগি মাত লগাইছে—"হো, হয়—ঔ! হয়—ঔ!! হয়-ঔ!!! আমি সেই মৰি যোৱা মানুহবোৰৰ আত্মা ( soul )!"

যাওক, ধূলি আৰু কুলিৰ বিষয়ে সম্প্ৰতিকৈলৈ এটা "হেস্তনেস্ত" মীমাংসা হৈ গল,- ৰক্ষা পৰিলোঁ।

আজিলৈ আৰু চিঠি দীঘল নকৰোঁ ; কাৰণ তোমালোকে চুলি দীঘল হোৱাটো ভাল পালেও, চিঠি দীঘল হোৱাটো ভাল নোপোৱা বুলি মোৰ বিশ্বাস। দীঘল চিঠিখন পঢ়া সময়ডোখৰত তোমালোকে নিজৰ মূৰৰ দীঘল চুলিত ফনি লগাই তাৰ জট ভাঙি তাক আৰু দীঘল হবৰ বাটত পেলাই দিব পাৰিবা। এতেক, আজিলৈ "ৰাম ৰাম" কৰিলোঁ। ইতি কৃপাবৰ।

---

## আমাৰ সমাজ।

আমাৰ সমাজ মানে—বৰ্ত্তমান অসমীয়া মুচলমানৰ সমাজ। অসমৰ হিন্দু খৃষ্টিয়ান আদি সমাজবোৰতকৈ যে মুচলমান সমাজটো দেখিবলৈ বৰ শকত-আৱত আৰু বে'চ টন্‌টনীয়া সমাজ, এই কথা প্ৰায় সকলোৱেই স্বীকাৰ কৰে ; আনে নকৰিলেও মুচলমানে কেতিয়াও নকৰাকৈ নেথাকে। কিন্তু,

এই বিষয়ে ভাবি চাব লগীয়া কথা বহুত আছে। প্ৰসঙ্গ অপ্ৰসঙ্গ আৰু অপ্ৰীতিকৰ হলেও অৱতাৰণা কৰাৰ সময় পৰিছেহি যেতিয়া আৰু লুকাই ৰাখিব নোৱাৰি। এই প্ৰবন্ধই যদি কোনো ব্যক্তিগত প্ৰাণত মাৰঘাত দিয়ে, তেন্তে সেই মাৰঘাতৰ বাবে লেখক জগৰীয়া নহয়; জগৰীয়া তেওঁবিলাকৰ নিজ নিজ স্বভাৱ। কৈফিয়ৎস্বৰূপে কামত আহিব বুলি কথাটো এই খিনিতে কৈ থলোঁ। পাঠক, বাহিৰৰপৰাতুমি মুচলমান সমাজটোৰ ৰীতি-নীতিবোৰ ভালকৈ এবাৰ চকু ফুৰাই চাই পঠোৱাচোন, ক'তো অলপ বিশৃঙ্খলতা, ক'তো এখানি ভাঁজ আৰু ক'তো অকণ খুঁট ধৰিবলৈ নোপোৱা। যেনিয়েই চোৱা নিৰ্ম্মল, নিমজ আৰু ধকধকীয়া। কিন্তু এই আটাইবিলাক বাহিৰৰ ফালৰপৰাহে; এবাৰ যদি তুমি কেনেবাকৈ ইয়াৰ মাজলৈ সোমাই ভিতৰুৱা কাণ্ডকাৰখানাবোৰ চাবলৈ পোৱা, তেন্তে তোমাৰ আৰু ওকালি নাহি নোৱাৰে। এসময়ত যেতিয়া মুচলমানে মুচলমানী ৰূপ লৈ, কথাই কামে এক হৈ জগত বাসীৰ আগত থিয় দিছিল, তেতিয়া গোটেই জগতে সকলো প্ৰাধান্য তেওঁ লোকৰ চৰণত অৰ্পণ কৰি অধোমুখে বহি আছিল। আজি আৰু সেই দিন ক'ত? সেই এদিন আৰু এই এদিন! সেই দিনত মুচলমান আদৰ্শ, পূজ্য আৰু সন্মানাৰ্হ আছিল, আজিৰ দিনত ঘৃণিত, পতিত আৰু লাঞ্ছিত! আগৰ দিনৰ মুচলমানৰ লগত আজিকালিৰ মুচলমানৰ কোনো ৰকমেই তুলনা হব নোৱাৰে; একেবাৰেই আকাশ পাতাল প্ৰভেদ। আগৰ দিনীয়া মুচলমান এজন যদি কবৰৰপৰা উঠি আহি আজিকালিৰ মুচলমানসকলৰ লগত মুলাকাত (সাক্ষাত) কৰেহি, তেনে হলে নিশ্চয় তেওঁ এজনকো মুচলমান বুলি স্বীকাৰ নকৰি উলটি গুচি যাবগৈ। তেতিয়াৰ মুচলমানৰ গোন্ধ এতিয়া একেবাৰেই উভি গল বুলিব লাগে। এতিয়াৰ মুচলমান নে ইকুল নে সিকুল! জগতৰ আগত আজি আমি ইমান ঘৃণনীয় কিহৰ কাৰণে? নিজ ধৰ্ম্মৰ পবিত্ৰ ৰীতি-নীতি আৰু উচ্চ বিধানবিলাকৰপৰা নিজক আঁতৰাই ৰখাটোৱেই ইয়াৰ থাউ কাৰণ নহয়নে? জগতৰ অন্যান্য ধৰ্ম্মৰ উচ্চ ৰীতি-নীতিবোৰৰ কোনটোৱেই বা আমাৰ ধৰ্ম্মত অভাৱ? বৰঞ্চ, অতিৰিক্তকৈ উচ্চতন বিধান বিলাকৰহে প্ৰাদুৰ্ভাৱ বেছি। সভ্যতা, সাম্য, শৃঙ্খলতা আৰু শান্তি আদি মহৎ কাৰ্য্যবোৰ কামনা কৰিবলৈ হলে বিনা ইচলামৰ সহায়েৰে সম্পাদন



কৰিব পাৰি বুলি কোনো মুচলমানে দৃঢ়ৰূপে বিশ্বাস কৰি প্ৰমাণ কৰি দিব পাৰিবনে? আজিৰ ইউৰূপৰ মহাযুদ্ধই কি প্ৰমাণ কৰিছে তাক কেনোবাই সূক্ষ্মৰূপে অনুধাৱন কৰি চাইছেনে? আজি ইমান দিনে ইচলামৰ যি দুটি পবিত্ৰ আৰু মহৎ * বিধানক বৰ্ত্তমান সভ্যজগতে অৱহেলা কৰি উভতিয়ে নেচাইছিল, সি আজি তেওঁলোকৰ কিমান শান্তি আৰু উপকাৰত আহিছে। আজিকালি আমাৰ প্ৰকৃতিয়েই হৈছে যে আনৰ কথা শুনি বিবেচনাশক্তিক ভৰিৰে মোহাৰি চোলাৰ জেপত ভৰাই থৈ নিজস্ব পৰিত্যাগ কৰি সত্য ভব্য বোলাবলৈ যোৱা! এই শ্ৰেণীৰ জীৱবিলাক যে জ্ঞানী সমাজৰ চকুত কেনেকুৱা লাগে তাক একমাত্ৰ তেওঁলোকেইহে জানে। আমি যাথোন এতিয়া দেখুৱাব খোজোঁ যে আমাৰ অসমীয়া মুচলমান সমাজ বুলি যি এটা সমাজ আছে বৰ্ত্তমানে সি ইচলামৰ কিমান খিনি পবিত্ৰতা আৰু ৰীতি-নীতি ৰাখি মানুহৰ আগত মুচলমান বুলি মুখ দেখুৱাব পাৰিছে; তাৰেই সম্যক আলোচনা কৰাই হে এই প্ৰবন্ধৰ মুখ্য উদ্দেশ্য:

আমাৰ সমাজটোক ফালি ছিৰি দেখুৱাবলৈ হলে তিনটা ভাগ কৰি দেখুৱালেহে বুজিবলৈ সুবিধা হব। বুঢ়া, ডেকা আৰু ল'ৰা; থাইকৈ এই তিনটা দল লৈহে আমাৰ সমাজটো। সমাজৰ অন্য অঙ্গ তিৰুতাসকলৰ কথা ইয়াত উল্লেখ নকৰি আন এটা প্ৰবন্ধলৈ তাক আলচি থোৱা হৈছে। এতিয়া ধৰা যাওক আমাৰ বুঢ়া সম্প্ৰদায়টোক। আদৰ্শ মুচলমান আৰু ধাৰ্ম্মিক পুৰুষ যদি এই দলৰ মাজত বিচাৰিবলৈ যাওঁ তেন্তে নিশ্চয় শতকৰা পঁচিছ জনতকৈ এজনো বেছি নোলাব, ই ধুৰুপ। বাকী পঁয়সত্তৰ জনক পিটিকি মুচৰি চাবলৈ গলে তাৰ ভিতৰৰো পঁচিছ জনক 'নামাজী' (ঈশ্বৰ উপাসক) ৰূপে দেখা পোৱা যাব। কিন্তু তেওঁলোকৰ সেই কেৱল কাৰ্য্যইহে যি অনুকৰণীয়, বাকী কাৰ্য্যবোৰ সিমান ধৰ্ত্তব্য নহয়। তাৰ পাছত বাকী থকা পঞ্চাছ জনক সমানে দুভাগ কৰি প্ৰথম ভাগক আজিকালি উঠি অহা এক শ্ৰেণীৰ নব্য দলৰ নেতা বুলি ধৰি ললেও একো বঢ়াই কোৱা নহয়। তেওঁলোক "লেফাফা দোৰস্ত" মুচলমান; অৰ্থাৎ তেওঁলোকৰ বাহিৰা সাজ-পাৰটো একেবাৰেই দোষশূন্য। শেষলৈ থকা ভাগটোক যে কি বুলি বৰ্ণনা কৰিলে পাঠকসকলে বুজিবলৈ উজু হব একো বিচাৰি নেপালোঁ! তেওঁলোক মুচলমানেইনে হিন্দু অথবা খৃষ্টিয়ানেই নে আন কিবা 'মানুহী জাতৰেই তাক আল্লাই হে জানে! এই সকলোবোৰ কিন্তু শিক্ষিত আৰু অশিক্ষিত সকলো মিলাই লৈছে।

এতিয়া ধৰোঁ ডেকাৰ দলটোক; বিবাহিত আৰু অবিবাহিত, শিক্ষিত আৰু অশিক্ষিত সকলো মিলাই লৈ আলোচনা কৰা যাওক। শিক্ষিত ডেকা দলৰ ভিতৰত শতকৰা দুইজন এনেকুৱা ডেকা আছে যাঁৰ আদেশ আৰু

* সুৰা পান নিষেধ আৰু বহুবিবাহ প্ৰচলন।—লেখক।

উপদেশ মানি চলিবলৈ আমাৰ গোটেই সমাজ তেওঁলোকৰ মুখাপেক্ষী, কিন্তু তেওঁলোকে নিজক সেইবোৰৰপৰা আঁতৰাই ৰখাটো বৰ ভাল বুলি ভাবে। বাকী থিনিয়ে ক্ষমতা পালে সংস্কাৰৰ নামে হলাহল ঢালিবলৈও কুণ্ঠিত নহয়। অশিক্ষিত আৰু অবিবাহিত দলটো যে মুচলমান সমাজৰ পক্ষে কেনে নাৰাত্মক তাক ভাবিলেও গাৰ নোম শিঁয়ৰি উঠে। তেওঁলোকে কৰিব নোৱৰা একোৱেই নাই বুলিব লাগে। সকলোবে কাৰ্য্যাৱলী তন্নতন্নকৈ আলোচনা কৰি দেখুৱা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়; ইয়াত মাথোন আংশিক ভাবেহে সমাজটোৰ আভাস দিয়া হৈছে। পাছলৈ লাহে লাহে সকলো ওলাই থাকিব।

আজিকালি ল'ৰাৰ দলটো একেবাৰে নতুন ৰকমৰ। কেনেকুৱানো নতুন ৰকমৰ তাক বোধকৰোঁ বুঢ়াসকলে ধাৰণাই কৰিব নোৱাৰিব। প্ৰকাশ্যে বুঢ়াবলৈও টান; মোটামুটিকৈয়ে কোৱা যাওক। প্ৰথমে স্কুলীয়া ল'ৰামখাৰ কথাই কওঁ; তেওঁলোকৰ ভিতৰৰ শতকৰা দুজন মানেহে যদি ইচলামৰ শাসন মানি চলিব পাৰিছে। বাকীবোৰক শাসন কৰিবলৈ জৰ্ম্মাণীৰ বৈজ্ঞানিক কল লগাব লাগিব যেন পাওঁ। উঃ, এই দলটো কি ভীষণ আকাৰত গঢ়িত হৈছে! মাক বাপেকৰ চকু মাথোন ল'ৰাইঁতৰ লেখা পঢ়াৰ ওপৰত হে। ব্ৰেজিলত এতিয়াও এনেকুৱা পাথৰ আবিষ্কাৰ হোৱা নাই যাৰ দ্বাৰাই বিতচকু তৈয়াৰ কৰি ললে ইফাল সিফাল সকলো দেখিব পৰা যায়! তেনেকুৱা কিবা একৰকমৰ চচ্‌মা এজোৰ মান পোৱা হলে মাক বাপেক-ইঁতৰ চকুত লগাই দেখুৱালোঁহেঁতেন তেওঁলোকৰ লৰাইঁতেনো ভবিষ্যৎ জীৱনলৈ কি দৰে সাজু হৈ ওলাইছে! অশিক্ষিত পিতাসকলৰ অশিক্ষিত ল'ৰাইঁতৰ কথাতো কবই নেলাগে। পৈতৃক ধৰ্ম্ম (!) পালনত সকলোৱেই তৎপৰ! ৰৱক আৰু একাঠী চৰাহে!

এই সকলোবোৰ (বুঢ়া, ডেকা, ল'ৰা; শিক্ষিত, অশিক্ষিত; জ্ঞানী, মূৰ্খ; শান্ত আৰু দুষ্ট) আমাৰ সমাজৰ মাজত। সমাজৰ কিবা এটা বেয়া আৰু দোষ দেখি শিক্ষিত আৰু জ্ঞানীজনে অলপ শাসন কৰিব খুজিলে চতুৰ্গুণ অশিক্ষিত দুষ্টমখাই—"যাও, নেই মানেগা" বুলি উচাত মাৰি সমাজৰ পৰাই ওলাই যাব খোজে! সেইজনক বাদ দিবলৈ গলে এজন এজনকৈ সকলো অশিক্ষিত আৰু দুষ্টক বাদ দিব লাগিব। পিছলৈ শিক্ষিত আৰু জ্ঞানী সকলে নো অকলৈ অকলৈ সমাজখন পাতি কি লাভটো কৰিব? সমাজ লাগে দুষ্টক দমন আৰু শান্তক পালন কৰিবলৈ। সেয়ে নহলে সমাজৰ আৱশ্যকতা কি? আজিকালি আমাৰ সমাজ নামতহে আছে কামত একো নাই। সমাজৰ দুৰ্ব্বলতাই যে অসমীয়া মুচলমানৰ অধোগতিৰ মূল তাক কোৱা বাহুল্য হে মাথোন।

সুখৰ বিষয় আজিকালি ঠায়ে ঠায় দুই চাৰিজন শিক্ষিত ডেকাই বুঢ়া



সকলৰ লগ লাগি পতিত সমাজৰ পুনঃ সংস্কাৰৰ নিমিত্তে উঠি পৰি লাগিছে। ইমানতে সাৱধান হবলৈ যে তেওঁবিলাকৰ বিবেকত অলপ খেলাইছে, ই আমাৰ পক্ষে পৰম সৌভাগ্য বুলিব লাগে। খেলিমেলি হৈ থকা সমাজ এটাক হঠাৎ সংস্কাৰ কৰিবলৈ যোৱাটো নিচেই উজু কথা নহয়; সেই বাবে বহুত ভাবি চিন্তি নানান স্বাৰ্থ ত্যাগ কৰিহে যদি কৃতকাৰ্য্য হব পৰা যায়। নেভাবি নিচিন্তি হঠাৎ এটা কৰি বহিলে ফলটো কেনে হবগৈ তাৰ দৃষ্টান্ত চাব খুজিলে চকুৰ আগতে আছে। আমি অশিক্ষিত আৰু অৰ্দ্ধশিক্ষিত বহুতো ডেকা দলৰ লগত উঠা বহা কৰি অভিজ্ঞতাৰ নামত এই ফেৰাই আৰ্জ্জন কৰিছোঁ যে তেওঁলোকৰ দুষ্ক্ৰিয়া আৰু অধঃপতনৰ বাবে অকল তেওঁলোকেই জগৰীয়া নহয়, প্ৰকাৰান্তৰে মূল জগৰীয়া তেওঁলোকৰ "মুৰব্বী" (অভিভাৱক) সকল আৰু আজিকালিৰ উঠি অহা এক শ্ৰেণীৰ উচ্চ শিক্ষিত নব্য ডেকাৰ দল। পাঠক, তুমি এটা কোনো অশিক্ষিত বা অল্প শিক্ষিত ডেকাক তাৰ দুষ্ক্ৰিয়াৰ বাবে অলপ তিৰস্কাৰ কৰি চোৱাঁচোন; তাৰ উত্তৰত সি তোমাক এনেকুৱা কিছুমান গণ্য মান্য আৰু শিক্ষিত ডেকাৰ উপমা দিব, তুমি আৰু ওঁঠকে লৰাব নোৱাৰিবা!

বাস্তৱিক, যেতিয়ালৈকে আমি আমাৰ আদৰ্শ পুৰুষসকলক নিৰ্ম্মল আৰু পবিত্ৰতাৰ মাজত ডুব গৈ থকা নেদেখোঁ, তেতিয়ালৈকে আমাৰ সমাজৰ উন্নতি কামনা কৰা আশা-মৰিচিকা মাত্ৰ। এই প্ৰবন্ধত আমি আমাৰ সমাজৰ সকলো গণ্যমান্য আৰু শিক্ষিত সমাজুৱাকেই যে আক্ৰমণ কৰিছোঁ, কোনেও যেন তেনে নাভাবে। যি দুই চাৰি জনক আদৰ্শ কৰি বিশাল অকৰ্ম্মণ্য দলে চলিবলৈ হুজুগ পাইছে, মাথোন তেওঁলোকৰ কথাহে ইয়াত উল্লেখ কৰিছোঁ। আমাৰ সমাজৰ পুণ্যাত্মাসকলৰ জয় হওক, তেওঁলোকৰ আদৰ্শই যেন আমাৰ একমাত্ৰ লক্ষ্য হয়, আল্লাহ তা আলাৰ ওচৰত এয়েই আমাৰ সৰল প্ৰাৰ্থনা।

এম, মোছলেহ উদ্দিন আহমদ।

---

# বিলাতৰ কথা।

সেই মাষ্টৰজনৰ নাম আছিল এইচ্ ডব্লিউ বড্‌ওৱেল। চেলেম্‌চ্ ফৰ্ডত কাম লোৱাৰ আগেয়ে তেওঁ হাৰ্ণ্টিং ডন্ ইস্কুলৰ মাষ্টাৰ আছিল। আবেলি গৈ হাৰ্ণ্টিং ডন্ পালোঁগৈ। কোনো কোনো ষ্টেশ্যনত বাচ্ (Bus) থাকে, সেই বাচ্‌বোৰে ওচৰচুবুৰীয়া ঠাইত মানুহ আৰু অলপচৰপ "লগেজ" অলপ পইচা দিলে থৈ আহে। তেনে এটা বাচত মোৰ উঠি যোৱা মনত আছে। মোক নিবলৈ মিঃ বড্‌ওৱেলে অৱশ্যে মানুহ পঠাইছিল,—চাগৈ কৈ দিছিল

"He is an Indian boy" ইমান বগা মুখৰ মাজত এজন ইণ্ডিয়ান্ বয় বিচাৰি উলিয়া সেই মানুহ ছুটিয়ে একো টান নেপাইছিল।

মিঃ বড্ৱেলৰ "লেণ্ড্‌লেডিৰ" পুতেকেই কি গিৰিয়েকেই ডাকঘৰৰ পোষ্টম্যান্ আছিল। ঘৰ-দুৱাৰ বেছ চাফ্ চিকুণ। আমাৰ ইয়াৰ পোষ্ট-ম্যানৰ কথা নকওঁৱেই বহুত ভাল মানুহৰো ঘৰত তেনে "আচবাব্-পত্ৰ" নাই। "ইয়াৰ" বোলাত মই অকল আসামকে কোৱা নাই, মই গোটাই ভাৰতবৰ্ষখনকে ধৰিছোঁ। আমি দুয়ো এটা খোটালিত শুইছিলোঁ। তেতিয়া দেখিছিলোঁ যে শুৱৰ সময়ত আৰু পুৱা উঠিবৰ সময়ত মিঃ বড্ৱেলে বিছনাৰ ওপৰত আঠু কাঢ়ি বিছনাৰ ওপৰত মূৰ থৈ চকু মুদি ঈশ্বৰৰ নাম লৈহে শুইছিল, আৰু ৰাতিপুৱা মুখ হাত ধুইছিল। বোধকৰোঁ তেওঁ "Our father which art in Heaven" বুলি যে খ্ৰীষ্টীয় সম্প্ৰদায়ৰ প্ৰাৰ্থনা আছিল তাকে কৈছিল। ১৯০৪ চনত শালুকিয়াৰ (হাওড়া) ৩৪নং গোলাবাড়ী ৰোডত আমাৰ স্বৰ্গীয় ডাক্তৰ গোলাপ-বেজবৰুৱাৰ লগত থাকোঁতে তেওঁক এই দৰে প্ৰাৰ্থনা কৰা দেখিছিলোঁ। ডাক্তাৰ বেজবৰুৱাই পুৱা আৰু ৰাতি বাইবেল কিতাপবপৰাও অলপ পঢ়িছিল। বিলাতত সৰু সৰু লৰাক মাকে কিম্বা আনকোনোৱে এই দৰে প্ৰাৰ্থনা কৰাইহে শুৱলৈ দিয়ে। ই যে ভাল নিয়ম তাক কোনে নহয় বুলিব। সৰুবেপৰা ধৰ্ম্মৰ আভাস পালে ডাঙৰ হৈ যেতিয়া লৰা ছোৱালীবোৰে সংসাৰৰ কামত প্ৰবেশ কৰে তেতিয়া এই প্ৰাৰ্থনাই অনেক সাহায্য কৰে। ভগৱানৰ নাম লোৱা সকলো দেশৰে সকলো জাতিৰ সকলো সময়তে এটা ভাল নিয়ম। সৰুৰেপৰা ভগৱানক চিন্তিলে ডাঙৰ হ'লে এই ভগৱানৰ নামে বিপদৰ সময়ত মানুহক সজ বাট দেখুৱাই মনলৈ শান্তি আনে। আৰু এটি কথা; ইস্কুল কলেজতো ভগৱানৰ নাম লৈ দৈনিক কাম আৰম্ভ কৰা উচিত। ভগৱান এক, আমি যি নামেৰেই তেওঁক মাতোঁ। খ্ৰীষ্টিয়ানৰ গড যিজন, মুচলমানৰ আল্লা যি জন, আমাৰ ঈশ্বৰো সেইজনেই। সেইদেখি ঈশ্বৰৰ নাম য'তে শুনা যায় ত'তে শুনা ভাল। এই নামৰ দেশ বিদেশ নাই, সময় অসময় নাই। সেইদেখিয়েই মই কওঁ যে আমাৰ দেশৰ লৰাবোৰ যেতিয়া বিলাতলৈ যায় তেতিয়া গিৰ্জ্জালৈ যোৱা উচিত। গিৰ্জ্জালৈ গ'লে ঈশ্বৰৰ নাম লোৱাৰ লগে লগে ভাল মানুহবপৰা উপদেশ শুনি ভাল কথাৰ লগত ইংৰাজী ভাষাৰ ওপৰতো ভাল অধিকাৰ জন্মিব। এই বিলিতে কোৱা আবশ্যক কিয়নো আমাৰ কোনো কোনো মানুহে ভয় খাব পাৰে, যে গিৰ্জ্জালৈ গ'লেই খ্ৰীষ্টান হয় বা হ'ব পাৰে। সেইটো নহয়। এই বিষয়ে আমাৰ অভিভাৱকসকলে নিঃসন্দেহে থাকিব পাৰে।

আৰু এটা কথা এই বিলিতে কওঁ। কিয়নো এতিয়াও বহুতো মানুহৰ এই বিষয়ে অতি শোচনীয় ভুল বিশ্বাস আছে। এই বিশ্বাস আজিকালিৰ দিনত থকাটো ভাল নহয়। আমাৰ মানুহৰ এটা বিশ্বাস আছে যে বিলাতলৈ গলেই গোমাংস ইত্যাদি আমাৰ হিন্দুৰ অভক্ষ্য বস্তু বাধ্য হৈ খাব লাগে। ই একেবাৰেই সঁচা নহয়। বিলাতত আজিকালি বিলাতীৰ ভিতৰতে বহুত নিৰামিষাহাৰী মানুহ আছে। লণ্ডনৰ ঠায়ে ঠায়ে নিৰামিষীয়া বস্তু খাবৰ ঠাই আছে। আৰু কোনো কোনো ঠাইত বোৰ্ডিং হাউচতো নিৰামিষীয়া বস্তু খাবলৈ পায়। বোম্বাইৰ কালৰ মানুহে প্ৰায়ে নিৰামিষীয়া বস্তু খায়। তেওঁলোকৰ কোনো কোনো মানুহক মই নিজে নিৰামিষীয়া খাই দিন যাপন কৰি সুন্দৰমতে থাকা হোৱা দেখিছোঁ। আৰু যেখিষ্টৰ হোৱা Inn আৰু Temple বোৰতো vegetarian dishes (নিৰামিষীয়া খাদ্য) পোৱা যায়। Grays Inn ইয়াৰ নিমিত্তে প্ৰসিদ্ধ। আমাৰ দৰে জুতি থকা আনুগ্ৰা নেপালেও সুন্দৰ মতে পেট ভৰাই তৃপ্তিৰে সৈতে খাই লুকাই উগাৰ মাৰিবও পৰা হয় (তাত মানুহৰ আগত উগাৰ মৰাটো অভদ্ৰতাৰ চিন্, উগাৰ মৰা বেয়া—সেই দেখিহে লুকাই উগাৰ মৰাৰ কথা কৈছোঁ)। তাত আমি জলকীয়া, বৰগোল্লা, লুচি, মচুৰমাহৰ আঞ্জা, চাউলৰ তো কথাই নাই, ইত্যাদি নানান দেশী বস্তু খাইছোঁ। আলু, কল, সুমথিৰা টেঙা, কবি, চালগোন থকাত তাত মাংসাশী হোৱাৰ একো কাৰণ নাই। গাত তাপ লগাবৰ নিমিত্তেও মাংস খাবৰ দৰ্কাৰ নেদেখোঁ। খাদ্যৰ দোকান প্ৰত্যেক ঠাইতে হুথন এখন; চাহ, কফি, ককো ঠায়ে ঠায়ে। কোনবা যদি যাব খোজে (আৰু মোকো লৈ যায়) মই সুন্দৰ মতে নিৰামিষীয়া তৰকাৰী ভাত ৰান্ধি ইণ্ডিয়ান্ চিভিল চাৰ্ভিচ, ব্যাৰীষ্টৰী, ডাক্তৰী পাৰ্চ কৰাই অনাই দিম। গোমাংস? ছিঃ!—এনেবোৰ বস্তু থাকোঁতে গোমাংস খাবৰ কি দৰ্কাৰ? যাৰ খাবৰ মন থাকে তেওঁ, গোমাংস, শূকৰমাংস, ভেকমাংস, নানান্ জন্তুৰ মাংস খাই উদৰ পূৰ্ণ কৰিব পাৰে। কিন্তু এইটো কথা বৰ ভুল যে বিলাতলৈ গলেই গোমাংস কিম্বা আন অখাদ্য বস্তু খাব লাগে। জাহাজতো নিৰামিষীয়া খোৱাৰ সুকীয়াকৈ সুবন্দবস্ত কৰিব পাৰি। ১৯০০ চনত কেলিডোনিয়া (Coledonia) জাহাজেৰে এবাৰ বিলাতলৈ যাওঁতে ফাৰ্ষ্ট ক্লাচত কৰাচীৰ নে এনে এজন ঠাইৰপৰা প্যাৰিচৰ প্ৰদৰ্শনী চাবলৈ আৰু তাত দোকান কৰি আমাৰ দেশী বস্তু বেচিবলৈ কেজনমান সাওদ গৈছিল। তেওঁলোকে নিজে সুকীয়াকৈ নিজৰ মতেৰে নিজৰ মানুহৰ দ্বাৰাই সুন্দৰৰূপে দেশী বস্তু ৰান্ধি খাই গৈছিল। ১৯০২ চনত বিলাতৰপৰা উভতি আহোঁতে প্যাৰিচত দোকান থকা এজন জহৰিয়ে কেৱল মাথোন ৰুটী, মাখন, পনীৰ, আঙুৰ, আপেল খাই থকা দেখিছোঁ। তেওঁ প্যাৰিচত কিছুমান চাপাটী ৰুটী কৰি আনিছিল সেইবোৰ চুকাই গ'লত তেওঁ এনেকৈ খাই আহিছিল। তেওঁ তাত নিজৰ বন্দবস্ত কৰিব পাৰিলেহেঁতেন, কিন্তু তেওঁ কষ্ট স্বীকাৰ কৰি ৰান্ধি খাব

খুখুজিছিল। এই মানুহজনে জাহাজত বান্ধি দিয়া ভাত পর্য্যন্ত নেখাইছিল। আমাৰ দেশৰপৰা যিমান লৰা বিলাতলৈ যায় সিমান দেশৰ মঙ্গল। সেই-দেখিয়েই মই বহুতো মানুহৰ বিলাতত খোৱা-বোৱা সম্পৰ্কে ভুল বিশ্বাস আছে দেখি ইমান বহলাই এই বিষয়ে লেখিছোঁ।

হাণ্টিংডনত এসপ্তাহ আছিলোঁ। চহৰত বেছি একো দেখিবৰ নাই। বাটবোৰ দেখিলে পুৰণি চহৰ বুলি মনত হয়। উজ্ (Ouse) নদী এঁকা-বেঁকাই চহৰখনৰ ওচৰেদি গৈছে। জোনাক ৰাতি গছৰ ছাঁ নৈৰ পানীত পৰি নৈখনৰ শোভা আৰু বঢ়ায়। মিঃ বড্‌ওৱেল আৰু মই এখন নাও এক সপ্তাহৰ নিমিত্তে কেৰেয়া কৰিছিলোঁ। কিমান দিব লাগিছিল মনত নাই কিন্তু তেওঁ আধা দিছিল মই আধা দিছিলোঁ। আমি ৰাতিপুৱা ব্ৰেকফাষ্ট খাই গোটাই পুৱা প্ৰায় এক কি দুই মান বজালৈকে নাৱেৰে ফুৰি ফুৰি মাছ মাৰিছিলোঁ। কেতিয়াবা কেতিয়াবা আবেলিও নাৱত ফুৰিছিলোঁ। মই এই সাত দিনৰ পৰিশ্ৰমৰ পাছত কি সাত দিনৰ ভিতৰতে তিনটা ৰোচ্ (Roach) মাছ ধৰিছিলোঁ। এই মাছবোৰ আমাৰ বাট মাছৰ দৰে। মিঃ বড্‌ওৱেলে মাজে মাজে ৰাতিও মাছ মাৰিবলৈ গৈছিল; বোধ কৰোঁ Bream মাছ ধৰিবৰ নিমিত্তে। সেই কেদিন মাছৰ সম্পৰ্কে বহুতো কথা শিকিছিলোঁ। আন বহু বিষয়ৰ দৰে ইয়াৰো অনুশীলন নকৰাৰ গতিকে সেইবোৰ কথা পাহৰি গৈছোঁ। ৰাতিপুৱা মাছ মাৰিবৰ নিমিত্তে আবেলি কি ৰাতি কটীৰ গুৰি কি আন এনে বিধৰ বস্তু (আমাৰ পিঠাগুৰিৰ দৰে) ঠায়ে ঠায়ে পানাত পেলাই থৈ আহিছিলোঁ। বুদ্ধিমান দুই ঠেঙীয়া মানুহৰ জ্ঞানহীন জন্তুক মাৰিবলৈ ইমান ফন্দী! মোৰ কিন্তু সেই তিনটা ৰোচ মাছ খাই বৰ ভাল লাগিছিল। নিজৰ উপাৰ্জ্জনৰ বস্তু নহয়। এবাৰ ৰাতি নাৱত ফুৰিবলৈ গৈছিলোঁ। মোক মিঃ বড্‌ওৱেলে বঠা মাৰিবলৈকো শিকাইছিল। তেওঁ গুৰি ধৰিছিল মই বঠা বাইছিলোঁ। নাওখন বৰ সৰু আছিল। এবাৰ ঠাই সলাওঁতে নাওখন কাতি হৈ গৈছিল—ভাগ্যক্ৰমে পাৰৰ ওচৰত ঠাই সলনি কৰিছিলোঁ, মোৰ ভৰি দুখন তিতি মাটিত উবুৰি হৈ কোনোমতে সাৰিলোঁ। মাজ পানীত ঠাই সলোৱা হলে আমাৰ কালে আইধা হ'ল-হেঁতেন; বিলাতৰ কথা আৰু লেখা নহ'লহেঁতেন। গছৰ ছাঁ পানীত পৰিলে যেনে ভাল লাগিছিল মোৰ নিমিত্তে ই অলপ বিপদৰো হৈছিল। বঠা বাওঁতে কি গুৰি ধৰোঁতে ছাঁবোৰক দেখি মনত হৈছিল যে মাটীৰ ফালে হে গৈছোঁ। সেইদেখি মাজে মাজে আন নাৱৰ লগত ঠেকাঠেকি খাবৰ ভয় আছিল। যি হওক সেই বাৰ দৰশী-টৰশি কিনি খুব মাছ মৰা মানুহ হৈ গৈছিলোঁ।

এজন মাছ মৰা মানুহে আন এজনক মিতা বুলি ভাবে। পাইপ ডোখৰ মুখত লৈ কোনোৱে বা পাৰৰ ওপৰত বহি মহা সুখে পানীত বৰশী পেলাই



আছে—আকৌ কোনোৱে বা আমাৰ দৰে নাৱৰ ওপৰৰপৰা মাছক লোভ দেখুৱাই আছে। এজনে আনজনক সোধে—"Any sport, friend? "Not much, only a roach or two' অথবা এনে কোনো উত্তৰ দিয়ে। কোনোৱে আকৌ "Any luck?" "Well, just a pike or two" এনেবোৰ কথাৰে পৰিশ্ৰমৰ ক্লান্তি দূৰ কৰা হৈছিল। মাছ মৰা মানুহৰ ধৰ্ম্ম হৈছে বেছি কথা নোকোৱা।—মাছে যদি শবদ শুনি পলায়।

মই আগেয়েই কৈছোঁ যে কৈশোৰ কি যৌবনত যি কোনো কামেই কৰা যায় সেই কামবোৰ কৰোঁতে যেনে কামৰ সোৱাদ পোৱা যায় তেনে সোৱাদ বেছি বয়স হ'লে পোৱা নেযায়। তেতিয়া এনেকৈ মাছ মৰাকে বৰ ভাল লাগিছিল।

এবাৰ মিঃ বড্‌ওৱেলৰ পুৰণা ছাত্ৰবিলাকেৰে সৈতে ক্ৰিকেট খেলিছিলোঁ সিও এটা মজা। মোৰ বন্ধুসকলে জানে মই ক্ৰিকেট, ফুটবল কেনে খেলোঁ।

মিঃ বড্‌ওৱেলৰ সৈতে St. neots (স্নেণ্ট নীট্‌চ্ উচ্চাৰণ) বুলি এখন ঠাইলৈ দেওবাৰে পুৱা গৈছিলোঁ। এই ঠাইখনো হাণ্টিংডন্ শ্বায়াৰত। ৯ মাইল দূৰ। প্ৰথমে গৈ গিৰ্জ্জা এটালৈ গলোঁ। তাতে মিঃ বড্ওৱেল পুৰণা বন্ধুৰ সৈতে দেখা হোৱাত তেওঁলোকৰ লগত খাবলৈ গ'লোঁ। তাত সুন্দৰৰূপে ভোজন কৰি তেওঁলোকৰ বাগিচাৰ গছৰপৰা ফল পাৰি খাই অথবা এনেয়ে ফুৰি আবেলিখিনি কটালোঁ। মোৰ মনত আছে তেওঁলোকে আহাৰৰ সময়ত কিবা ৰঙা পানী খাইছিল—মোক দিব খোজাত মই নেখাওঁ বুলি ক'লোঁ। মিঃ বড্‌ওৱেলে বুজ পাই ক'লে ""This is non-alcoholic (অৰ্থাৎ ইয়াত মাদক দ্ৰব্য একো নাই) অলপ খোৱা"। মই অলপ সন্দেহ কৰি খালোঁ।--কিন্তু সি স'চাই non-alcoholic, চৰবতৰ দৰে। যিসকল মানুহে ভাবে যে বিলাতলৈ গলেই ফটিকা খাব লাগে সেইসকলে যেন এই বিষয়টো "নোট" কৰে। মই গৌৰবেৰে সৈতে We Indians dont drink" বুলি ঘৰৰ বৈণী কি জীয়ৰীজনক কৈছিলোঁ। তেওঁলোকে ক'লে "Dont be afraid, we have no such thing here, this drink is non 'alcohoic" (ভয় নকৰিবা, আমাৰ ইয়াত তেনে বস্তু নাই, এই পানীয়ত মাদক দ্ৰব্য একো নাই)। বিলাতলৈ গ'লে যেনে হিন্দুৰ অভক্ষ্য খাবৰ প্ৰয়োজন নাই অপেয় পিবৰো দৰকাৰ নাই। কিন্তু "আপ ৰুচি খানা"—যাৰ ইচ্ছা যায় খাব পাৰে। ইয়াতে থাকি জানো কোনো কোনোৱে অভক্ষ্য ভোজন আৰু অপেয় পান নকৰে?

এই মানুহ-ঘৰ বোধ কৰোঁ Wesleyan ধৰ্ম্মাবলম্বী মানুহ। তেওঁলোকে আকৌ সন্ধ্যাবেলিকা গিৰ্জ্জালৈ গৈছিল। আমিও তেওঁলোকৰপৰা বিদায় লৈ হাণ্টিংডন্-মুৱা হলোঁ। অলপ পৰ গৈ মিঃ বড্‌ওৱেলে ক'লে "এই গাঁও

ঘনৰপৰা আধা মাইল মান দূৰত Bedfordshire আৰম্ভ হয় ; বলা সেই ফিনি ঠাইলৈ যাওঁ।" মই ক'লোঁ "বইয়ক।" মোৰ বৰ বং, একে দিনেতে দুটা কাউণ্টি ( County ) ফুৰিবলৈ পাম। সেই ঠাই ডোখৰ ভালকৈ ফুৰি আকৌ হাণ্টিংডন্-মুৱা হ'লো। অলপ গৈ থাকোঁতেই বৰুণ আৰু ধুমুহাই লগ পালে। এই ৯ মাইল বাট অতিক্ৰম কৰাৰ কথা আৰু কেতিয়াও নেপাহৰোঁ। প্ৰথম ঘণ্টা—ছ মাইলকৈ ঘণ্টাত বেগ দিছিলোঁ। মাজে মাজে দৌৰিছিলোঁও। ভাগৰ লাগিলে আকৌ খোজ কাঢ়িছিলোঁ।" "Borooah, we are walking like Trojans" বুলি মোক মিঃ বড্ওৱেলে উৎসাহ দিছিল। সেই ডোখৰ একেবাৰে বাট অন্ত নহয় যেন পালোঁ। পাছত কোনোমতে প্ৰকাৰে ঘৰ পালোঁ গৈ। গৈয়েই কিবা অলপ খাই, বিছনাত পৰিলোঁ গৈ। ভাবৰ যি বিষ! তাৰ পাছ দিনাও বোধ কৰোঁ বিছনাৰপৰা বহুতপৰ উঠা নাছিলোঁ। বৰষুণত তিতাৰ নিমিত্তে পানীও লাগিছিল। দৰবজাতি মিঃ বড্-ওৱেলে দিছিল। সেই ৯ মাইল বাট খোজ কাঢ়ি আহিও মিঃ বড্ওৱেলে বাতি টোপনি খতি কৰি মাছ মাৰিবলৈ গ'ল। মাছ মৰা বিদ্যাৰ কি শক্তি!

পুৰা যাবৰ সময়ত বেলেৰে গৈছিলোঁ। ইমান দূৰ খোজ কঢ়া মোৰ এইয়ে প্ৰথম ; আৰু কি বেগ দিছিলোঁ।—"I have walked at the rate of six miles an hour." এই কথা অহঙ্কাৰ কৰি কিমান দিন যে কৈছিলোঁ। এবাৰ নেউতা আৰু ডাঙৰ ককাইদেৱ ৺করুণাভিৰাম বৰুৱাৰ লগত কলিকাতাৰপৰা নগাঁৱলৈ গাঁওতে মনৰ বঙত ( নগাঁও দেখিম বুলি ) পুৰণিগুদাম এৰি যোৱাৰ পাছত নগাঁওলৈ খোজ কাঢ়ি গৈছিলোঁ—তেতিয়াও পাঁচ ছ মাইল মান খোজ কাঢ়িছিলোঁ—কিন্তু লাহে লাহে যোৱাত তিমান ভাগৰ লগা নাছিল। এই St. neots-ৰপৰা Huntingdon-ক লৈ খোজ কঢ়াৰ কথা ইমান দিন তেও মনত আছে আৰু জীয়াই থকালৈকেও মনত থাকিব।

কোনো কোনোৱে সোধে "Mr. Borooah, আপোনাৰ বিলাতৰ কথা কেতিয়া শেষ হ'ব?" কি ভাবি সোধে কব নোৱাৰোঁ—মই কওঁ "যিমান পাৰোঁ লেখি থাকিম, কেতিয়া শেষ হয় কব নোৱাৰোঁ। কোনোৱে" আকৌ মাজতে বিলাতৰ কথা বন্ধ হওঁতে সুধিছিল "আপুনি আকৌ বিলাতৰ কথা নেলেখে কিয়? সঁচাকৈয়ে পঢ়ি বৰ ভাল লাগিছিল"। সি বাক যি হওক,মোৰ হ'লে এই কথাবোৰ লেখি থাকিবলৈ বৰ ভাল লাগে। অতীত আটাইবে ভাল লাগে। যোৱা কেতিয়াবা কেতিয়াবা অতীতত বাস কৰি তাৰ সোৱাদ লবৰ ইচ্ছা যায়,সেইদেখিয়েই এই বিলাতৰ কথাৰ আবিৰ্ভাব। আজিলৈ বিদায় লওঁ।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।